# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

NINETH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. I

## NO. 36

The 24th May, 1989

Price Rs. 21·90

## CONTENTS

### BUDGET SESSION

Volume I No. 36

Dated, the 24th May 1989


Page

1. Questions & Answers............................................1
2. Voting on Demands for Grants......................31
3. Adjournment..................................................95
4. Annexure, I, II, III, IV..................................96

## Debates of the Assam Legislative Assembly

Wednesday, May 24, 1989.

The House met at nine of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

### STARRED

### QUESTIONS & ANSWERS

( To which oral answers were given )

*Re* : **I.T.I. at Karimganj**

**Shri Abdul Muqtadir Choudhury** asked :

*713. Will the Minister, Labour be pleased to state :

(a) Whether the site for I.T.I. at Karimganj has been finalised ?

(b) Is it a fact that four plots of lands have been offered by the people of Karimganj for the above purpose ?

(c) Whether the site Selection Committee has visited Karimganj within one year for finalising theSite ?

(d) If not, whether Goverment will take early step for the above purpose ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নাই হোৱা ।

(খ) মুঠ ৭খন ঠাইৰ ভিতৰত ৰাইজৰ পৰা ৪খন পট্টা মাটি দিবৰ বাবে আৰু কৰিমগঞ্জ জিলাৰ উপায়ুক্তৰ পৰা ৩ টা চৰকাৰী মাটিৰ আবণ্টনৰ প্ৰস্তাৱ পোৱা হৈছিল ।

(গ) নাই কৰা ।

(ঘ) উপযুক্ত মাটিৰ সন্ধান কৰি থকা হৈছে।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জৰ আই, টি, আই খন শিলচৰত ৰখা হৈছে আজি তিনি বছৰ ধৰি। শিলচৰত মাটি বহুতো আছে কিন্তু চিলেকশ্যন কমিটী এবাৰো চাবলৈ যোৱা নাই। এই চিলেকশ্যন কমিটীৰ চেয়াৰমেন কোন আৰু তেওঁলোক কেতিয়া যাব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বহু আগতেই চিলেকশ্যন কমিটী কৰিমগঞ্জৰ কিছু অঞ্চললৈ গৈ এটা ৰিপোৰ্ট দাখিল কৰিছিল। গতিকে এতিয়া আকৌ যোৱাৰ প্ৰশ্ন উঠা নাই। বিষয়া আদি গৈছে। তথাপি মই কৈ চাম কমিটীক। আগতে গৈ ঠাইবোৰ চাই যি ৰিপোৰ্ট দিয়া হৈছিল আৰু যিবোৰ কাৰণত আমি সেই ঠাইবোৰত পাতিব পৰা নাই তাৰ বিৱৰণ আমাৰ হাতত আছে। প্ৰথম ঠাইখন হল আঙ্গোৰাদোঙ্গৰী, এই ঠাইত প্ৰস্তাৱিত মাটি ডোখৰ নীলাম বজাৰৰ ওচৰৰ ওখ টিলা। আই টি আইৰ, বাবে গৃহ নিৰ্মাণৰ কাৰণে মাটিডোখৰ প্ৰয়োজন অনুযায়ী সমান কৰিবলৈ, গড়কাপ্তানী বিভাগৰ মূল পথৰ পৰা উক্ত টিলাটোৰ প্ৰয়োজনীয় পথ নিৰ্মাণ তথা অন্যান্য প্ৰয়োজনীয় প্ৰস্তুতিৰ নিমিত্তে এক বৃজন পৰিমানৰ ধন খৰচ কৰিবলগীয়া হব। এই প্ৰয়োজনীয় ধনৰ বাবে অতিৰিক্ত মঞ্জুৰী লাভ সুনিশ্চিত নহয়। গতিকে উক্ত স্থান আই টি আই নিৰ্মানৰ বাবে উপযুক্ত নহব বুলি নাকচ কৰা হয়।

দ্বিতীয়তে, ব্ৰাহ্মণ শ্মশান, এই মাটিডোখৰৰ প্ৰায় অধিকাংশ বাৰিষা পানীত ডুব যায়। গতিকে ইয়াতো মাটি উপযুক্ত কৰি লওঁতে ৭-৮ ফুট ওখকৈ মাটিতোলাৰ প্ৰয়োজন হব। ইয়াৰ উপৰিও ভাৰত চৰকাৰে বান্ধি দিয়া নিয়ম অনুসৰিও ঠাইডোখৰ আই টি আই নিৰ্ম্মানৰ বাবে প্ৰশস্ত ঠাই নহয়। সেয়ে ঠাইখন নাকচ কৰা হয়।

তৃতীয়তে, ৰানীবাৰী গাওঁ-এই ঠাইডোখৰ টিলাৰ ওপৰত আৰু গড়কাপ্তানী বিভাগৰ পথৰ পৰা ভালেখিনি দূৰত অৱস্থিত। ইয়াৰ চাৰিওফালে আৰু ভালেকেইটা টিলা আছে। প্ৰস্তাৱিত ঠাইত মাটিৰ

পৰিমাণ অতি তাকৰ আৰু কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্ধাৰিত কৰি দিয়া মতে অন্য অন্য লাগতিয়াল সা-সুবিধাবো অসুবিধাৰ পৰিপ্ৰেক্ষিতত তাত আই টি আই স্থাপনৰ কাম বিবেচনা কৰিব পৰা নহল ।

চতুৰ্থতে, কৰিমপুৰ, এই ঠাইডোখৰ আধা টিলা আৰু কালীগঞ্জ চন্দ্ৰপুৰ পথৰ পৰা ভালেখিনি নিলগৰ ভিতৰুৱা ঠাই। কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিয়া লাগতিয়াল সা-সুবিধা নথকাৰ বাবে ঠাইডোখৰ নাকচ কৰা হল ।

পঞ্চমত, কনকলাচ ২য় খণ্ড, এই ঠাইডোখৰ ভাস্তা বেলষ্টেচনৰ পৰা প্ৰায় ১ কিলোমিটাৰ আতৰত। ইয়াত কিছু অংশ বাৰিষা পানীত ডুব গৈ থাকে। ইয়াৰ উপৰিও মাটিডোখৰ প্ৰতিবন্ধক মুক্ত নহয়। গতিকে নিৰ্ব্বাচন কৰা নহল ।

ষষ্ঠতে, দহলীয়া, পাথাৰকান্দি, এই ঠাইডোখৰ অতি ওখ টিলাৰ ওপৰত। চাৰিওফালে হাবি জঙ্গলৰে ভৰা বহুতো ওখ টিলা আছে। তাৰোপৰি বৰ ভিতৰ সোমোৱা আৰু অতি নদী কাষৰীয়া অঞ্চল । পাথাৰকান্দি ঘাইপথৰ পৰা ইয়ালৈ দূৰত্ব ভালেখিনি। তাবোপৰি কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসাৰে আৱশ্যকীয় সা-সুবিধা নথকাৰ ফলত অনুপযুক্ত বিবেচিত হয় ।

ৰামকৃষ্ণ নগৰ—এই ঠাইখন ওখ টিলাত অৱস্থিত। ৰামকৃষ্ণ নগৰ উন্নয়ন খণ্ডৰ কাৰ্য্যালয়ৰ ওচৰত। নিৰ্দ্ধাৰিত স্থানৰ মাটিৰ পৰিমান অতি তাকৰ। গতিকে বিবেচনা কৰা নহল। এনে ধৰণৰ কিছুমান অসুবিধা আছে গতিকে আমি উপায়ুক্তৰ লগত যোগাযোগ কৰি আছো। প্ৰয়োজন অনুভৱ কৰিলে পুনৰ চাইট চিলেকশ্যন কমিটীক পঠিয়াই পুনৰ মাটিৰ উপযুক্ততা নিৰ্নয় কৰিব পৰা হব ।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, চাইট চিলেকশ্যন কমিটী এতিয়াও যোৱা নাই। অৱশ্যে বিষয়া এজন গৈছিল। গতিকে এই কমিটী কেতিয়া যাব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, উপাযুক্তই মাটি দিলেই আমি চাইট চিলেকশ্যন কমিটী পঠিয়াব পাৰিম।

বিষয় ঃ অনুসূচীত জাতিৰ উন্নয়ন সঞ্চালকালয়।

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে ঃ

*৭১৪। মাননীয় অনুসূচীত জাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অনুসূচীত জাতিৰ উন্নয়নৰ বাবে এটা পৃথক সঞ্চালকালয় গঠন কৰা হৈছিল নেকি ?

(খ) উক্ত সঞ্চালকালয়ে কাম আৰম্ভ কৰিছেনে ?

(গ) যদি কাম আৰম্ভ কৰা নাই, কিয় কৰা নাই ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰা হৈছে।

(খ) এতিয়ালৈ কাম আৰম্ভ কৰিব পৰা নাই।

(গ) ১৯৮৯ চনৰ ৮ মাৰ্চ্চ তাৰিখে ৰাজ্য চৰকাৰৰ বিত্ত বিভাগে উক্ত সঞ্চালকালয়ত মূৰব্বীক আৱশ্যকীয় নিয়ম মতে Head of the Department হিচাবে ঘোষণা জাৰি কৰিছে। আশা কৰা যায় চলিত বিত্তীয় বছৰত এই সঞ্চালকালয়ৰ কাম কাজ আৰম্ভ হব।

শ্ৰীভবেন্দ্ৰ নাথ ভৰালী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই চলিত বছৰতে হ'ব নেকি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীদূৰ্গা দাস বড়ো ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, চলিত বছৰতে আৰম্ভ কৰিব পৰা হ'ব।

( Starred Question no. 715 was not called for )

বিষয় ঃ কৃত্ৰিম অঙ্গৰ ব্যৱস্থা।

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে ঃ

*৭১৫ মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ শ্ৰমিক কল্যান পৰিষদত পঙ্গু মানুহৰ হাত ভৰি বা অন্যান্য

অঙ্গৰ বাবে কৃত্রিম অঙ্গ লগাই দিয়াৰ কিবা ব্যৱস্থা আছেনেকি ?

(খ) যদি আছে এতিয়ালৈকে কিমান তেনে ব্যক্তি এই সুবিধা পাইছে আৰু কি কি কৃত্রিম অঙ্গ লগোৱা হৈছে ?

(এনে ব্যক্তিৰ ঠিকনা আৰু নামবোৰ দিব)

(গ) ইয়াৰ বাবে শ্রম কল্যান পৰিষদে কিমান টকা ব্যয় কৰিছে।

শ্রীবার্কী প্রসাদ তেলেঙ্গা (শ্রমমন্ত্রী) য়ে উত্তৰ দিছে।

(ক) পঙ্গু মানুহক কৃত্রিম অঙ্গ লগাই দিয়াৰ ব্যৱস্থা পৰিষদৰ নিজা-ৰবীয়াকৈ নাই। কিন্তু পঙ্গু চাহ শ্রমিক লোক সকলক কৃত্রিম অঙ্গৰ যোগান ধৰা তথা চিকিৎসালয়ৰ খৰছ আৰু এক কালিন অর্থ সাহায্য মঞ্জুৰ কৰাৰ আচঁনি আছে।

(খ) এই পৰিষদে তলত উল্লেখ কৰা লোক কেই জনক কৃত্রিম অঙ্গৰ যোগান ধৰিছে।

১) শ্রীহৰিচৰণ ভৌমিক, কোনাপাৰা চাহ বাগিছা, ডাকঘৰ—কলাইণ। জিলা কাছাৰ। ... ... ... ... ... ... ... ... ... ... ... ... ... ... সোঁভৰি

২) শ্রীআব্দুল মজিদ, মেখনি চাহ বাগিছা, ... ... ... ... ... সোঁহাত ডাকঘৰ—বোকাখাট, জিলা—গোলাঘাট।

(গ) ১) কৃত্রিম অঙ্গৰ বাবে ... ... ... ... ... ... ... ... ১,৬৪৫.৫০

২) পৰীক্ষা কৰোৱাৰ বাবে ... ... ... ... ... ... ... ... ৪২৮.০০

৩) জিবীকা নির্বাহৰ বাবে ... ... ... ... ... ... ... ... ... ১০,৬৯৪.০০

মুঠ ১২,৭৬৭.৫০ টকা পৰিষদে এতিয়ালৈকে খৰছ কৰিছে।

## *Re*: Creation of post for Housing Board

**Shri Ardhendu Kumar Dey** asked :

*716. Will the Minister, Town & Country Planning bepleased to state :

(a) Is it a fact that the Goverment created a post of the

Chief Executive & Commissioner for Housing Board to be manned by a Senior I.A.S. Officer ?

(b) If so, why the post has been kept vacant since 1986 ?

(c) Is it a fact that Mr. M. N. Bora who was removed from Housing Board for serious irregularity has been inducted again to hold temporary charges of the said Board until further orders in addition to his normal function as Chairman, Guwahati Development Authority ?

(d) If so, why ?

**Shri Atul Bora** ( Minister, Town & Country Planning ) replied :

(a) No

(b) Does not arise

(c) & (d) No. Shri Bora was not removed from the Housing Board. He was appointed as Chairman, Guwahati Development Authority for a short period and subsequently he was transfered and posted as Chief Architect of the Assam State Housing Board with the status and grade of that of the Commissioner, Assam State Housing Board. There-after, Shri Bora, was again appointed as Commissioner, Assam State Housing Board w.e.f. 31.7.86.

**Shri Ardhendu Kumar Dey** : Mr. Speaker, Sir. Will the Minister be pleased to state that whether the post of Chief Architect which is equivalant to the post of

Commissioner was sanctioned in the year 1986 ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, চীফ একৃজিকিউটিভ অফিচাৰৰহে আছিল এই পদটো। পিচত এইটোকে কমিচনাৰ বুলি কোৱা হৈছে। এইটো ইকুইভিলেণ্ট পোষ্ট।

**Shri Ardhendu Kumar Dey** ; No, Sir. My question was that whether the post of Chief Architect which is equivalent to the post of Commissioner was sanctioned in the year 1986 ? Hon'ble Minister while answering my question has admitted that the post of Chief Architect is equivalent to the post of Commissioner.

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কৈছে চীফ আৰ্কিটেক্ট আৰু কমিচনাৰ ইকুইভিলেণ্ট নহয়। আচলতে চীফ আৰ্কিটেক্টৰ পোষ্টটো এতিয়া নাই সেইটোকে চীফ একৃজিউকিটিভ অফিছাৰ কৰি দিয়া হৈছে। সেই পদটোতে এতিয়া শ্ৰীবৰা আছে। এইটো সমান ৰেংকৰ পোষ্ট। আকৌ আনটো প্ৰশ্নৰ উত্তৰত কওঁ হাউচিং বৰ্ডৰ কমিচনাৰৰ পদটোৰ বাবে নটিফিকেচন কৰা হৈছিল।

**Shri Ardhendu Kumar Dey** : The reply given by the Hon'ble Minister is not clear and specific. I wanted to know whether the post of Chief Architect which is said to be equivalent to the post of Commissioner was sanctioned or created in the year 1986 ?

**Shri Atul Bora (Minister)** : Yes, in 1986.

**Shri Ardhendu Kumar Dey** : Then, whether that post was kept vacant from 1986 till the posting of Shri M. N Bora as Chief Architect ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, সময়ে সময়ে এই পদটোত আই-এ-এছ বিষয়া আছিল। ১৯৮৬ চনৰ পৰা বি, কে বৰুৱা

আছিল আৰু ৩১ এপ্ৰিলৰ পৰা এই পদতে শ্ৰীবৰা আছে গতিকে খালী হৈ থকা নাই।

**Shri Ardhendu Kumar Dey** : So, it appears that it is a post of an IAS Officer. Therefore, any person to be posted in that post, he should be an IAS Officer. But in that post till 1986 an ACS Officer was posted. Will the Minister be pleased to state what was the reason behind that ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এইটো—আই, এ, এচ, বা এ, চি, এচ ৰ পদ নহয়।

বিষয় ঃ বন সংমণ্ডলৰ সংখ্যা।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

*৭১৭ মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান অসমত কিমানটা বন সংমণ্ডল আছে ?

(খ) এই সংমণ্ডলবোৰ ক'ত, এতিয়ালৈকে জব্দ কৰি ৰখা কাঠৰ আনুমানিক মূল্য কিমান হব ?

(গ) এই জব্দ কৰি ৰখা কাঠবোৰ বিক্ৰী কৰাব বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে জনাবনে ?

(ঘ) যদি কোনো ব্যৱস্থা লোৱা নাই কেতিয়াৰ পৰা ব্যৱস্থা লব ?

শ্ৰীযুত সুৰেন্দ্ৰ নাথ মেধি ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান অসমত ২৪ টা Territorial বন সংমণ্ডল আছে।

(খ) এই সংমণ্ডল বিলাকৰ স্থান তলত দিয়া ধৰণৰ ঃ—

১) পশ্চিম অসম চক্ৰ ( Western Assam Circle )

| | | |
|---|---|---|
| (১) | ধুবুৰী সংমণ্ডল | ধুবুৰী |
| (২) | কচুগাওঁ " | গোসাইগাওঁ |
| (৩) | হল্টুগাওঁ | কোকৰাঝাৰ |

(৪) আইভেলী বঙ্গাইগাওঁ

২) মধ্য অসম চক্র ( Central Assam Circle )

(৫) গোৱালপাৰা সংমণ্ডল গোৱালপাৰা

(৬) পশ্চিম কামৰূপ ছয়গাওঁ

(৭) পূৱ কামৰূপ গুৱাহাটী

(৮) উত্তৰ কামৰূপ ৰঙিয়া

৩) উত্তৰ অসম চক্র ( Northern Assam Circle )

৯) পশ্চিম দৰং সংমণ্ডল তেজপুৰ

১০) পূৱ দৰং ” বিশ্বনাথ চাৰিআলি

১১) লক্ষীমপুৰ ” উত্তৰ লক্ষীমপুৰ

১২) নগাওঁ ” নগাওঁ

১৩) দক্ষিণ নগাওঁ ” হোজাই

৪) পূৱ অসম চক্র ( Eastern Assam Circle )

১৪) গোলাঘাট সংমণ্ডল গোলাঘাট

১৫) শিৱসাগৰ ” যোৰহাট

১৬) ডিব্রুগড় ” ডিব্রুগড়

১৭) ডুমডুমা ” ডুমডুমা

১৮) ডিগবৈ ” ডিগবৈ

৫) দক্ষিণ অসম চক্র ( Southern Assam Circle )

১৯) শিলচৰ সংমণ্ডল শিলচৰ

২০) কৰিমগঞ্জ ” কৰিমগঞ্জ

৬) পাৰ্ব্বত্য চক্র ( Hills Circle )

২১) উত্তৰ কাছাৰ পাহাৰ সংমণ্ডল হাফলং

২২) পূৱ কাৰ্বি আংলং ” ডিফু

২৩) পশ্চিম কাৰ্বি আংলং ” ডিফু

২৪) হামৰেণ ” হামৰেণ

ইয়াৰ ৭ ( সাত ) টা সংমণ্ডলত জব্দ কৰি ৰখা কাঠৰ আনুমানিক মূল্য ১,৫৫,৭৮,৫৪১·৭০ টকা ।

বাকী সংমণ্ডল বিলাকৰ পৰা তথ্য আহি পোৱা নাই সেই বাবে এতিয়ালৈকে জব্দ কৰি ৰখা কাঠৰ মুঠ আনুমানিক মূল্য দিব পৰা নহল।

(গ) আন কাঠৰ দৰেই জব্দ কৰি ৰখা কাঠবোৰো সাধাৰণতে সংমণ্ডলবোৰে লট বনাই ১৯৭৭ চনৰ বিক্ৰী নিয়মাৱলী মতে বিক্ৰি কৰাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) বিক্ৰিৰ ব্যৱস্থা লৈ থকা হৈয়েই আছে।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ সদনত এই বিষয়ে উৎথাপন কৰা হৈছিল। আমাৰ বন সংমণ্ডল বিলাকৰ বহুতো কৰিবলগীয়া কাম আছে। চৰকাৰে ডি, এফ, অ' ডি, চি, ক লৈ এখন কমিটি গঠন কৰি দিছিল। কিন্তু সেই কমিটিখনৰ দ্বাৰা বিভিন্ন ধৰণৰ কাম হোৱা নাই। গতিকে যিবিলাক কাম কৰিবলৈ বাকী আছে সেইখিনি কৰিবলৈ চেষ্টা কৰিব নেকি? জব্দ কৰা কাঠবোৰৰ কেচ বিলাক কোৰ্টলৈ যোৱাৰ আগতে নিয়মটো সলনি কৰাৰ কিবা ব্যৱস্থা লব নেকি?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীৰ জ্ঞাতাৰ্থে মই কব খুজিছো যে যিখন কমিটি গঠন কৰি দিয়া হৈছে ডি, চি, এচ, পি, আৰু ডি, এফ, অ'ক লৈ সেইখন কমিটি ইতিমধ্যে বাতিল কৰা হৈ গৈছে। এতিয়া কেৱল ডি, এফ, অ'ক হে ক্ষমতা দিয়া দৈছে। যিবিলাক কাঠ জব্দ কৰা হৈছিল সেইবিলাক বিক্ৰী কৰাৰ ব্যৱস্থাৰ ক্ষেত্ৰত কওঁ যে জব্দ কৰা কাঠবোৰৰ কেচবোৰ কোৰ্টলৈ গলে কোৰ্টে যেতিয়ালৈকে কোনো হুকুম নিদিয়ে তেতিয়ালৈকে বিক্ৰী কৰাৰ ব্যৱস্থা কৰিব নোৱাৰি। জব্দ কৰা কাঠবোৰ নষ্ট হৈ যাব বুলি ডি, এফ, অ'ই কোৰ্টক অনুৰোধ কৰি কাঠবোৰ বিক্ৰী কৰিব পাৰে আৰু টকাখিনি জমা ৰাখিব পাৰে।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো কোৰ্টলৈ যোৱাৰ আগতে দায়িত্ববোৰ বিভাগৰ ফালৰ পৰা কিবা এটা কৰিব নেকি?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই সন্দৰ্ভত এটা নিৰ্দ্দেশনা দিয়া হৈছে। কাঠ যিবিলাক আছে সেইবিলাকৰ ব্যৱস্থা

লব পাৰি।

**Shri Benoi Khungur Basumatari :** Sir, will the Hon'ble Minister inform the house as to whether out of an area of 4 Sq. K.M. falling under Kachugaon Division all the logs therein have been disposed of ?

**Shri Surendra Nath Medhi** (Minister) : Sir, in the meantime we have taken a decision to get the accumulated logs disposed of as early as possible.

শ্ৰীবশিহুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, সম্পূৰ্ণ সঁচা নহয় বুলি কৈছে। কিমানখিনি সঁচা জনাবনে ?

শ্ৰীঅতুল বৰা ( গড় কাপ্তানী বিভাগৰ মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, প্ৰশ্নটো যেনে তেনেকৈয়ে উত্তৰ দিছো।

বিষয় ঃ ৰেলৰে লেভেল ক্ৰচিং

শ্ৰীফনী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

* ৭১৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাওঁ চহৰৰ সোঁমাজত থকা লেভেল ক্ৰচিংত ১৯৮৯-৯০ বিত্তীয় বছৰটোত এখন ফ্লাই অভাৰ ব্ৰিজ মঞ্জুৰী কৰিবলৈ সিদ্ধান্ত লোৱা কথাটো সঁচানে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) বিষয়টো বাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হৈছে।

( Starred Question no. 719 taken up after Question No. 720 was diposed of )

বিষয় ঃ পথৰ মেৰামতি

শ্ৰীবশিহুল হকে সুধিছে ঃ

* ৭২০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বানপানীত ক্ষতিগ্রস্থ বাট-পথবোৰ এতিয়াও মেৰামতি হোৱা নাই, কথাটো সচানে ?

(খ) মেৰামতিৰ যোগ্য বাট-পথৰ সৰ্বমুঠ সংখ্যা কিমান আৰু দৈৰ্ঘ কিমান ?

(গ) এইবোৰ মেৰামতিত কিমান টকা লাগিব ?

(ঘ) এই টকাৰ কিমান শতাংশ ৰাজ্য চৰকাৰে এতিয়ালৈকে বহন কৰিছে ?

(ঙ) আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা পাইছে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ঃ) য়ে উত্তৰ দিছে ঃ

(ক) সম্পূৰ্ণ সঁচা নহয়।

(খ) বাট-পথৰ সংখ্যা মুঠ ২৬৪৩ টা আৰু ইয়াৰ দৈৰ্ঘ্য ৭৮৫৩ কিঃ মিঃ।

(গ) ৪৩৬৬°৫৭৫ লক্ষ টকা আৰু ইয়াৰ বিপৰীতে ৮৮৮ লক্ষ টকা আবণ্টন এই বিভাগে পাইছে।

(ঘ) কেন্দ্ৰীয় চৰকাৰে গোটেই ৰাজ্য হিচাবে অনুদান দিয়ে। মুঠ অনুদানৰ ২৭ শতাংশ এই বছৰ ৰাজ্য চৰকাৰে বহন কৰিব।

(ঙ) এতিয়ালৈ মুঠ ৫৪৪৩°৩১৫ লক্ষ টকা পোৱা হৈছে।
(সকলো বিলাক কামৰ কাৰণে)

শ্ৰীৰশিতুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, সম্পূৰ্ণ সঁচা নহয় বুলি কৈছে। কিমানখিনি সঁচা জনাবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় প্ৰশ্নটো যেনে তেনেকৈয়ে উত্তৰ দিছো।

শ্ৰীৰশিতুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, শতকৰা কিমানখিনি সত্য মই বুজি পোৱা নাই। জনাব নেকি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেইখিনি সত্য নহয় বুলি নকওঁ মানে এমকেচিচ।

শ্ৰীৰশিতুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হল এই

যে গোটেইখিনি সঁচা নহয় বুলি কৈছে কিন্তু মোৰ এৰিয়াত পৰা চামুগুৰি, ৰূপহী আৰু ঢিংৰ ৰাস্তাবিলাক সম্পূৰ্ণ হোৱা নাই। কিছু হৈছে কিছু হোৱা নাই। কলিয়াবৰৰ বানপানী নোহোৱা ঠাইবিলাকত কাম হৈছে এইবিষয়ে মন্ত্ৰী মহোদয়ে জনাব নেকি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সেই এলেকাটো নগাওঁত নেকি ? কলিয়াবৰৰ ৰাস্তা বেছি দীঘলীয়া নহয় সেইকাৰণে তাত কাম কৰিবলৈ টকা দিয়া হৈছে। যিবিলাক ৰাস্তা দীঘলীয়া তাত কাম কৰিব পৰা নাই। দুই এঠাইতহে কৰা হৈছে।

শ্ৰীবশিহুল হক: মাননীয় অধ্যক্ষ মহোদয়, অনুগ্ৰহ কৰি মন্ত্ৰী মহোদয়ে মেৰামতি কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এতিয়া তুমাহ-মানলৈকে কাম হাতত নলওঁ। বানপানী আহে নে নাহে চাই লোৱা যাওক।

*Re :* **Forest area.**

**Sri Aminul Islam** asked :

*719. Will the Minister Forests be pleased to state :

(a) What is the percentage of Forest area to total Geographical area of Assam at present ? (Excluding unclassed State Forests)

(b) Whether the percentage of Forest area increased during the last 3 (three) years ?

(c) If yes, what is the increased percentage ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) অসমৰ ভৌগলিক মাটি কালি অনুযায়ী অসমৰ বন ভূমিৰ মাটি কালিৰ পৰিমাণ (অ-শ্ৰেণীভূক্ত বনভূমি বাদ দি) শতকৰা ২৭.৪০ শতাংশ।

(খ) নাই ।

(গ) প্ৰশ্ন নুঠে ।

শ্ৰীদেৱেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, এই যে ২৭.৪০ শতাংশ ধৰা হৈছে যিটো কৈছে তাত দয়াং বনাঞ্চলো ধৰা হৈছে নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) : এইটো ধৰা হৈছে, কিন্তু এতিয়াও ডিফৰেন্ট্ৰেশ্যন হোৱা নাই । তাত প্ৰায় ১১.৯২ ভাগে বেদখল কৰি আছে । এই যে ২৭.৪০ শতাংশ, দয়াং বনাঞ্চল তাৰ ভিতৰত ধৰা হৈছে ।

বিষয় : মৈৰাবাৰীত জিৰনি ঘৰ ।

শ্ৰীশ্বহীদুল ইছলামে সুধিছে :

*৭২১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মৈৰাবাৰীত গড়কাপ্তানী বিভাগৰ জিৰনি ঘৰৰ কাৰণে কিবা আঁচনি আছেনে ?

(খ) যদি আছে উক্ত জিৰনি ঘৰৰ কাৰণে কিমান টকা দিয়া হৈছে ?

(গ) যদি টকা দিয়া হৈছে তেনেহলে নিবিদা গ্ৰহণ কৰা হবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) মৈৰাবাৰীত গড়কাপ্তানী বিভাগৰ জিৰনি ঘৰ কৰাৰ কোনো প্ৰশাসনীয় অনুমোদন নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

শ্ৰীশ্বহীদুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ গড়কাপ্তানী বিভাগে ১ লাখ টকা দিম বুলি এই সদনতে ঘোষনা কৰিছিল কিন্তু এইবাৰ নাই বুলি কেনেকৈ কৈছে অথচ মাটি অধিগ্ৰহন কৰিবৰ কাৰণে ইয়াৰ পৰা লিখিছেও । ইয়াৰ পৰা চিঠি পোৱাৰ পাচত এচ, ডিঅ আৰু এক্সিকিউটিভ ইঞ্জিনিয়াৰে মাটি অধিগ্ৰহন কৰিছিল, তেনে অৱস্থাত কিয় পোৱা নগ'ল ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : চেংশ্যন আৰু এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেলৰ মাজত পাৰ্থক্য আছে। এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেল নথকাৰ কাৰণেই কামত আগবাঢ়িব পৰা নাই।

(Starred Question Nos 722 & 723 was not called for)

বিষয় : লাওভোৰোঙা লাংকানবড়ী পথ।

শ্ৰী আব্দুল জলিলে সুধিছে :

* ৭২২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৭-৮৮ চনৰ এম, এন, পি আঁচনি ভুক্ত লাওভোৰোঙা লাংকানবড়ী পথটো নিৰ্মানৰ কাম সম্পূৰ্ণ হ'লনে ?

(খ) যদি হৈছে কিমান টকাৰ কাম হ'ল ?

(গ) যদি হোৱা নাই কিয় হোৱা নাই ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৭-৮৮ চনৰ এম, এন, পি আঁচনি ভুক্ত লাওভোৰোঙা লাংকানবড়ী নামৰ কোনো পথ নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

বিষয় : দৰ্মহাৰ নিৰিখ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

* ৭২৩। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চাহ বাগিছা ভবিষ্য নিধি আৰু বৃত্তি নিধি আচনিৰ চেয়াৰমেন/ ভাইচচেয়াৰমেন আৰু সম্পাদকৰ মাহেলী দৰমহা কিমান ?

(খ) ১৯৮৮ আৰু ১৯৮৯ চনৰ ফেব্ৰুৱাৰী মাহলৈকে সম্পাদকৰ কিমান

ভ্ৰমন বানচ হৈছে আৰু চেয়াৰমেন আৰু ভাইচ চেয়াৰমেনৰ ১৯৮৯ চনৰ ফেব্ৰুৱাৰীলৈকে ভ্ৰমণ বানচৰ পৰিমান কিমান ?

(গ) ভাইচ চেয়াৰমেনক দিয়া গাড়ীখনৰ ১৯৮৮ চনত মেৰামতিৰ বাবদ কিমান টকা খৰছ হৈছিল।

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সভাপতি ঃ কোনো দৰমহা নাই।

উপসভাপতি ঃ প্ৰতিমাহে নিৰ্দ্ধাৰীত ২,৫০০·০০ হিচাবে মাননী।

সম্পাদক ঃ দৰমহাৰ গাঠনিৰ ক্ৰম ২,২০০–৭৫–২৮০০ টকা হিচাবে প্ৰতিমাহে মুঠ ৪,৮২৪·৪৯ টকা।

(খ) সভাপতি ঃ ১৯৮৮ চন আৰু ১৯৮৯ চনৰ ফেব্ৰুৱাৰী মাহলৈ সভাপতিক ৪৯,৩৩৪·৬৫ টকা বিদেশত ভ্ৰমণৰ বাবে ভ্ৰমণ বানচ আৰু গুৱাহাটীৰ ভিতৰত পুলকাৰৰ খৰছৰ বাবে ৬,৪৭০·০০ টকা, মুঠ ৫৫,৮০৪·৬৫ টকা দিয়া হয়।

উপসভাপতি ঃ ১৯৮৮ চনত উপসভাপতিক গুৱাহাটীৰ বাহিৰত ভ্ৰমণৰ খৰছ হিচাবে ৪০,১৪৬·০০ টকা গুৱাহাটীৰ ভিতৰত পুলকাৰৰ খৰছ হিচাবে ৭,৮৩০·০০ টকা আৰু ১৯৮৯ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত পুলকাৰৰ খৰচৰ বাবে ৭,৭১৬·৭৬ টকা মুঠ ৫৫,৬৯২·৭৬ টকা দিয়া হয়।

সম্পাদক ঃ ১৯৮৮ চনত সম্পাদকক ৰাজ্যৰ বাহিৰত ২৫,০৬০·০০ টকা ভ্ৰমণ বানচ আৰু ৰাজ্যৰ ভিতৰত ৪,১২১·০০ টকা আৰু ১৯৮৯ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত ৩৭৪ টকা মুঠ ২৯,৫৫৫·০০ টকা ভ্ৰমণ বানচ দিয়া হয়।

(গ) ১৯৮৮ চনত উপসভাপতিক দিয়া গাড়ীখনৰ মেৰামতিৰ বাবে মুঠ ২০,৬৩৬·০০ টকা খৰছ কৰা হয়।

বিষয়: চাহ বাগিছাৰ শ্ৰমিকৰ বৰ্খাস্ত।

শ্ৰীহেমেন দাসে সুধিছে:

৭২৪। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ১৯৮৮ চনৰ মে মাহত নাহৰকটীয়াত হাপজান পৰ্বত চাহ বাগিছাৰ শ্ৰীমতী ৰমুলি মাহালি ও অন্যান্যৰ বৰ্খাস্ত সম্পৰ্কীয় বিবাদ এটা শ্ৰম আয়ুক্তলৈ ৰেফাৰেঞ্চৰ বাবে পঠোৱা হৈছিল নে?

(খ) যদি হৈছিল, আজিলৈকে ৰেফাৰেঞ্চ নোহোৱাৰ কাৰণ কি?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ১৯৮৮ চনৰ মে মাহত নাহৰকটীয়াৰ হাপজান পৰ্বত চাহ বাগিছাৰ শ্ৰীমতী ৰমুলি মাহালি ও অন্যান্য সম্পৰ্কীয় কোনো বিবাদ Reference ৰ বাবে শ্ৰম আয়ুক্ত পোৱা নাই।

(খ) 'ক' প্ৰশ্নৰ উত্তৰৰ সন্দৰ্ভত প্ৰশ্ন নুঠে।

*Re:* **Appointment of Inspectors**

**Shri Seikh Abdul Hamid,** asked;

*725. Will the Minister of Agriculture be pleased to state;

(a) Is it a fact that the Assam Public Service Commission published a list of selected caddidate for appointment as Inspectors of Weights & Measures under Agriculture Department?

(Please mention the names with address of the selected candidates).

(b) How many of the selected candidates have been appointed till 30th April, 1989?

**Shri Deba Kumar Bora,** ( Minister, Agriculture ) replied :

(a) Yes, in 1988 a combined list of candidates for appointment in the post of Inspector, Weights & Measures under Agriculture Department was published. The list of the candidates alongwith their names and addresses is placed in the table of the House.

( See the list at Annexure I )

(b) 12 candidates have been appointed as Inspectors of Weights and Measures till 30-4-1989.

শ্বেইখ আব্দুল হামীদ ঃ মাননীয় অধ্যক্ষ মহোদয় যিখন লিষ্ট এ, পি, এচ, চিয়ে প্ৰকাশ কৰিছে সেই লিষ্টৰ ক্ৰমঅনুসৰি নিযুক্তি দিয়া হৈছেনে নাই ? আৰু যদি হৈছে তেন্তে ৯ নং ক্ৰমিকত প্ৰাৰ্থী শ্বহীদল ইচলাম যি জন আছিল তেওঁক কিয় নিযুক্তি দিয়া হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে ঃ ?

শ্ৰীদেব কুমাৰ বৰা ( মন্ত্ৰী ) ঃ ভেকেন্সীৰ বিপৰিতেহে নিযুক্তি দিয়া হয়। তাৰোপৰি ৰোষ্টাৰ মেইনটেইন কৰি বিভিন্ন কেটিগৰি লোকক নিযুক্তি দিবলগীয়া হয়।

শ্ৰীশ্বেইখ আব্দুল হামীদ ঃ যিটো ৰোষ্টাৰৰ কথা কৈছে ৯ নংৰ যিজন প্ৰাৰ্থী আছিল তাৰ আগতে অবিচি ২ আৰু এমঅবিচি তিনি আৰু ৫ নংত আছিল কিন্তু এই প্ৰাৰ্থীজনক কিয় নিযুক্তি দিব পৰা নাই।

শ্ৰীদেব কুমাৰ বৰা ( মন্ত্ৰী ) ঃ এচ পাৰ এ, পি, এছ, চি লিষ্ট আৰু ৰোষ্টাৰ মতে নিযুক্তি দিয়া হয়। এই নিযুক্তি বিলাক ভেকেন্সীৰ বিপৰীতেহে নিযুক্তি দিয়া হয়।

শ্ৰীশ্বেইখ আব্দুল হামীদ ঃ এ, পি, এচ, চিৰ যিখন লিষ্ট প্ৰকাশ কৰিছে সেইখনৰ ক্ৰম অনুসৰি নিযুক্তি দিব লাগে। কিন্তু ক্ৰম অনুসৰি

কিয় নিযুক্তি দিয়া হোৱা নাই।

শ্রীদেব কুমাৰ বৰা (মন্ত্রী): ৰোষ্টাৰখন আমি চাবলগীয়া হয়, তথাপিতো তেখেতে যিটো কথা আঙুলীয়াই দিছে তাত যদি কিবা ভুল হৈ গৈছে আমি পৰীক্ষা কৰি চাম আৰু সেই ক্ষেত্ৰত বিহিত ব্যৱস্থা লম।

(Starred Qnestion Nos. 726 & 727 were not called for)

**Re: Provident Fund**

**Shri Ramendra Dey** asked :

*726. Will the Minister, Labour be pleased to state :

(a) Number of Tea Gardens defaulting in depositing Provident Fund Contribution collected from the tea garden Labourers ?

(b) What action has been taken against the Management of the above tea gardens ?

শ্রীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্রী) য়ে উত্তৰ দিছে:

(ক) ১১৯ খন চাহ বাগিছা।

(খ) ভবিষ্যনিধিৰ বৰঙনি আদায় নিদিয়া চাহ বাগিছাবোৰৰ উপৰত বাকীজাই গোচৰ তৰা হৈছে। কিছুমান অভ্যাসগত আদায় নিদিয়া বাগিছাৰ ক্ষেত্ৰত ফৌজদাৰি মকৰ্দ্দমাও তৰা হৈছে।

***Re* : P.R.C, for contractor**

**Shri Abdul Jabbar,** asked :

*727. Will the Minister, P.W.D. be pleased to state ?

(a) Whether it is a fact that vide Notification No. PLB. 6/89/7-D dated 29-1-89 contractors are now required to submit P.R.C. along with the necessary documents ?

(b) If so whether P.R.C. would be supplied to the contractors for the above purpose by the Authority ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সঁচা নহয় ।

(খ) প্ৰশ্ন নুঠে ।

*Re :* **Junior Marketing Inspector**

**Shri Abdul Rob Laskar,** asked :

*728 Will the Minister, Agriculture be pleased to state :

(a) Total number of Junior Marketing Inspectors working under the State Agricultural Marketing Board alongwith the date of their appointments ?

(b) Is it a fact that Assam State Agricultural Marketing Board has submitted its resolution regarding the promotion of Junior Marketing Inspectors seeking the approval of the Government ?

(c) Will the Government consider the promotion of those Junior Marketing Inspectors to the Post of Marketing Inspectors immediately ?

**Shri Deba Kumar Bora** ( Minister, Agriculture ) replied :

(a) 14 numbers of Junior Marketing Inspectors are working under the State Agricultural Marketing Board.

The list of the Junior Inspectors with their date of joining is placed in the table of the House.

( See the list at Annexure II )

(b) Yes.

(c) The matter is under active consideration of the Government.

বিষয়ঃ টুনী নদীৰ দলং।

শ্ৰীপ্ৰদীপ হাজৰিকায়ে সুধিছেঃ

*৭২৯। গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ফুলনী, মহোঙ্গীয়া, গড়কাপ্তানী পথৰ "টুনী" নদীৰ ওপৰত (ঘুনুচাৰাৰীৰ ওচৰত) থকা কাঠৰ দলংখন আজি বহু বছৰৰ আগতে নষ্ট হৈ যোৱাৰ কথাটো চৰকাৰে জানেনে?

(খ) সেই অঞ্চলৰ জনসাধাৰণ আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে জীয়াতু ভোগাৰ প্ৰতি লক্ষ্য ৰাখি অতি সোনকালে দলংখন পুনৰ নিৰ্মানৰ ব্যৱস্থা কৰিবনে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) ফুলনী, মহেঙ্গীয়া, গড়কাপ্তানী পথৰ টুনী নদীৰে ওপৰত (ঘুনুচাৰাৰীত) কাঠৰ দলং কোনো দিন বনোৱা হোৱা নাছিল।

(খ) পুনৰ নিৰ্মানৰ প্ৰশ্ন নুঠে।

শ্ৰীপ্ৰদীপ হাজৰিকাঃ মাননীয় অধ্যক্ষ মহোদয়, 'ক' প্ৰশ্নৰ উত্তৰত তেখেতে কৈছে যিটো সেইটো মই ধৰ ভালকৈ শুনা নাই। আৰু 'খ' প্ৰশ্নৰ উত্তৰত প্ৰশ্ন নুঠে বুলি কৈছে। আপোনালোকে জানে যে মাজুলীক অসমৰ এটা বৃহত্তম নদী দ্বীপ বুলি কোৱা হয়। মাজুলীৰ অৱস্থা বৰ বেয়া এই কথালৈ কোনেও কান নকৰে। এই ৰাষ্টাটো মাজুলীৰ এটা অংশ বিশেষ চুই গৈছে গতিকে এই ৰাষ্টাটোৰ প্ৰতি গুৰুত্ব দিব লাগে।

শ্ৰীঅতুল বৰা (মন্ত্ৰী): (মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্নোত্তৰ পুনৰ পঢ়ি দিয়ে)

শ্ৰীপ্ৰদীপ হাজৰিকাঃ ইয়াত মাত্ৰ ২।৩ টা মান ৰাষ্টা আছে, এই ৰাষ্টাটোয়ে বহুত অঞ্চলক সংযোজিত কৰি গৈছে আৰু দুখৰ বিষয় যে

ছাত্ৰ-ছাত্ৰী সকলে আৰু জনসাধাৰণ সেই ৰাষ্টাৰে অহা-যোৱা কৰিবলগীয়া হয়। যদি তেনেকুৱা কাঠৰ দলং নাই গড়কাপ্তানী বিভাগে এই কথা লক্ষ্য ৰাখি তাত এখন দলং দিয়া উচিত। অন্য পিতানৰ পৰা কৰ্ত্তন কৰি হলেও এই দলংখন নিৰ্ম্মান কৰিব লাগে। এই ক্ষেত্ৰত অধিক গুৰুত্ব দিব লাগে আৰু ইয়াত কোনেও দ্বিমত পোষণ নকৰে।

শ্ৰীঅতুল বৰা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে নিবিদা আহ্বান কৰা হৈছে।

(Starred Question No. 730 was not called for)

*Re*: Sanctioned posts as field workers.

**Shri Gobinda Chandra Langthasa** asked:

*730. Will the Minister of Soil Conservation be Pleased to state

(a) Whether Government have sanctioned some posts of field worker & other staff for N. C. Hills during 1986-87, 1987-88, 1988-89 ?

(b) If so, the number of posts categorywise sanctioned ?

(c) Whether the Government have filled up the said posts ?

(d) If not, why ?

**Shri Surendra Nath Medhi**, (Minister Soil Conservation) replied:

(a) Yes, few posts of Field Workers and other staff had been sanctioned for N. C. Hills in the Soil Conservation Department during 1986-87 and 1987-88.

(b) The total number of sanctioned posts categorywise shown below :—

| Name of posts | Sanctioned for common outlay | Sanctioned for District level | Year of sanction |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 1. Asstt. Soil Conservation Officer. | 1 No. | — | 1987-88 |
| 2. Overseer | 1 No. | — | 1987-88 |
| 3. Lower Division Assistant | 1 No. | — | 1987-88 |
| 4. Jeep Driver | 1 No. | — | 1987-88 |
| 5. Mali | 1 No. | — | 1986-87 |
| 6. Soil Conservation Ranger | — | 3 Nos. | 1987-88 |
| 7. Soil Conservation Demonstrator ( Junior ) | — | 4 Nos. | 1987-88 |
| 8. Soil Conservation Field Worker | — | 11 Nos. | 1987-88 |
| 9. L. B. Chowkidar | — | 2 Nos. | 1987-88 |
| 10. Day Chowkidar | — | 2 Nos. | 1986-87 |
| 11. Night Chowkidar | — | 2 Nos. | 1986-87 |
| 12. Peon | — | 3 Nos. | 1986-87 & 1987-88 |
| 13. Truck Handyman | — | 1 No. | 1987-88 |
| TOTAL : | 5 Nos. | 28 Nos. | |

(c) 6 (Six ) Nos Grade IV ( Peon & Chowkidar ) post had been filled up.

(d) Rest of the posts are lying vacant. The Join

Director Soil Conservation, Hills have been asked to fill up the posts in Grade-III and IV as per rules in consultation with the District Council. The matter is pending with the Council authority as they have not finalised with the Joint Director, Hills.

বিষয় ঃ গড়কাপ্তানী পথ পকীকৰণ ।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ

* ৭৩১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৬—৮৭, ১৯৮৭—৮৮ আৰু ১৯৮৮—৮৯ চনৰ বাৰ্ষিক পৰিকল্পনাত মঙ্গলদৈ সংমণ্ডলৰ ( পথ ) অন্তৰ্গত কোন কেইটা গড়কাপ্তানী পথ ৰাজ্য চৰকাৰে পকীকৰণ কৰিলে ?

( পকীকৰণ কৰা পথ চোৱাৰ সমষ্টিৰ নাম উল্লেখ কৰিব )

(খ) ১৯৮৭—৮৮ চনৰ জৰুৰী ইমাৰজেণ্ট পুঁজিৰ ধন বিভাগটোৱে কি কি আচঁনিত খৰচ কৰিলে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে

(ক) চন অনুযায়ী মঙ্গলদৈ পথ সংমণ্ডলত পকীকৰণ কৰা পথৰ তালিকা পতাকা 'ক' ত দি ইয়াৰ লগত গাঁঠি দিয়া হ'ল । ( See the list at Annexure III )

(খ) জৰুৰী পুঁজিৰ ধনেৰে ১৯৮৭—৮৮ চনত মঙ্গলদৈ পথ সংমণ্ডলত অনুমোদন কৰা আচঁনিৰ তালিকা পতাকা 'খ' ত দি ইয়াৰ লগত গাঁঠি দিয়া হ'ল ।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী ঃ অনুমোদন কৰা আচঁনিৰ তালিকাখন আমি পোৱা নাই । কৰবাত বেলেগে থৈছে নেকি ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) ঃ তালিকাখন পঢ়ি দিলে সময় লব ।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী : প্ৰশ্নটোৰ গুৰুত্ব আছে মই এই প্ৰশ্ন কৰিছিলো। আমি নজনাকৈ তাত থৈ দিলে কেনেকৈ জানিম ?

Mr. speaker : Now next question No. 732.

বিষয় : বকো উপসংমণ্ডলৰ জীপ গাড়ী।

শ্ৰীগোপী নাথ দাসে সুধিছে :

* ৭৩২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গড়কাপ্তানী বিভাগৰ বকো উপ-সংমণ্ডলৰ (পথ) গাড়ীখন বহুদিনৰ পৰা মেৰামতিৰ বাবে গেৰেজত পৰি থকা স্বত্তেও উপ-মণ্ডলটোৰ বিভিন্ন ৰাস্তা, দলং আদি ছোৱা চিতা কৰা বাবে আন এখন জীপ গাড়ী চৰকাৰে নিদিয়া কথাটো সচাঁনে ?

(খ) যদি সচাঁ তেন্তে উপ-মণ্ডলটোৰ বিভিন্ন কামকাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে চৰকাৰে অতি সোনকালে এখন গাড়ী দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সচাঁ।

(খ) জীপ গাড়ীখনৰ মেৰামতিৰ কাম হাতত লোৱা হৈছে আৰু সোনকালে মেৰামতিৰ কাম সম্পূৰ্ণ কৰি উপ-সংমণ্ডল বিষয়াৰ ব্যৱহাৰৰ বাবে দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীগোপী নাথ দাস : এই গাড়ীখন যোৱা বাৰিষাৰ আগতেই মেৰামতি কৰিবলৈ দিয়া হৈছিল। কিন্তু আজিলৈকে মেৰামতি কৰা হোৱা নাই। কিমান দিনৰ ভিতৰত গাড়ীখন মেৰামতি কৰি ব্যৱহাৰ কৰিব পৰা হব সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : এচ, ডি, অ জনৰ গাড়ী নাথাকিলেও কোনো কথা নাই, আমাৰ বিত্তিয় সংকটৰ কাৰণে আমি গাড়ী দিয়া বন্ধ কৰিবলগীয়া হৈছে। এচ, ডি, অ' জনক গাড়ী দিব লাগিব তাৰ কোনো ধৰা-বন্ধা নিয়ম নাই। দৰকাৰ হলে তেওঁ চাইকেলেৰেও যাব লাগিব।

*Re :* **Market Yards**

**Shri Abdul Rob Laskar,** asked :

*1055 : Will the Minister of Agriculture be pleased to state :

(a) Whether there are proposals to open regulated market yard at Lakhipur and Lala Bazar under Cachar District and Churaibari under Karimganj District ?

(b) If so, the steps taken by the Government for early opening of those regulated marked yards ?

**Shri Deba Kumar Bora,** (Minister, Agriculture) Replied :

(a) & (b) Yes, there are Proposals to open Regulated Markets at Lakhipur & Lala Bazar under Cachar District. Initial survey as required for regulated Market have been completed for proposed Lala Bazar Regulated Market and the Survey for Lakhipur is under process. However, after completion of Survey, the Market will be taken up for development in a phased manner. But there is no proposals for opening Regulated Market at Churaibari as it is not among the identified market in the Project Report.

*Re :* **Maintenance of P. W. D. Road.**

**Shri Abdul Muqtadir Choudhury** asked :

*1057. Will the Minister of P.W.D. be pleased to state :

(a) Amount sanctioned for the repairing and maintenance of P.W.D. road under Karimganj P.W.D. Division in 1987-88, 1988-89 ?

(b) Name of the roads where repairing works have been done and amount spent against each road during 1987-88, 1988-89 ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) কৰিমগঞ্জ গড়কাপ্তানি ৰাস্তা মেৰামতি শিতানত মঞ্জুৰী এনে ধৰণে দিয়া হৈছে :—

| | |
|---|---|
| ১৯৮৭-৮৮ চনত | ৪৬,০০,০০০·০০ |
| ১৯৮৮—৮৯ চনত | ৪৬,০০,০০০·০০ |

(খ) ১৯৮৭-৮৮ আৰু ১৯৮৮—৮৯ চনৰ বিত্তীয় বছৰত ৰাস্তা হিচাবে মেৰামতিৰ খৰছৰ তালিকা এখন লগত গাঠি দিয়া হ'ল ।

( See the list at Annexure IV )

*Re* : **Norms to extract timber.**

**Shri Shahidul Islam**, asked :

*1058. Will the Minister, Forests be pleased to state :

(a) The norms relating to Departmental operation extract timber from Forest ?

(b) Is it a fact that in Dowarband Range of Cachar Forest Division timber was extracted departmentally ?

(c) If so, please state the period of operation, total quantities of timbers extracted and the manner in which they were disposed of ?

(Please state the quantity in c.m. and categories involved).

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বিভাগীয় ভাবে কাঠ আহৰণৰ কাৰণে বন সংমণ্ডল প্ৰাধিকাৰীয়ে বন পৰিকল্পনাত (Workingplan) থকা বিধি অনুসৰি বছৰটোৰ বাবে গছ আহৰণ কৰিবলগীয়া এলেকা বিলাক আৰু তাৰ পৰা আহৰণ কৰিব পৰা নিৰ্দ্ধাৰিত গছৰ সংখ্যা আদি উল্লেখ কৰি বন সংৰক্ষকৰ অনুমোদনৰ বাবে প্ৰতিবেদন দাখিল কৰে। বন সংৰক্ষকৰ পৰা অনুমোদন পোৱাৰ পিচত সংমণ্ডল প্ৰাধিকাৰীয়ে বনাঞ্চলিক বিষয়াক এই সম্পৰ্কত নিৰ্দ্দেশ দিয়ে। বনাঞ্চলিক বিষয়াই তাৰ পিচত সেই এলেকাবিলাকৰ সীমা আদি কলটাৰেৰে নিৰ্দ্ধাৰণ কৰি মেপ আদি আঁকি তাৰ ভিতৰত আহৰণ কৰিব পৰা গছৰ মাৰ্কা কৰি সংমণ্ডল প্ৰাধিকাৰীক মাৰ্কিং ষ্টেটমেণ্ট, ক্ষেত্ৰমাপ বহীৰ পৃষ্ঠা আদিৰে সৈতে প্ৰতিবেদন দাখিল কৰে। সংমণ্ডল প্ৰাধিকাৰীয়ে তাত অনুমোদন জনোৱাৰ পিচত বনাঞ্চলিক বিষয়াই সেইবোৰ দক্ষ বনুৱা লগাই কাটি টুকুৰা (কুণ্ডা) কৰে আৰু তাত নম্বৰ আদি দি হিচাবৰ বাবে নিৰ্দ্ধাৰিত নথিপত্ৰত নথিভূক্ত কৰে। পিচত সেই কুণ্ডাবোৰ বিভাগীয় লড়ী বা আন কোনো ভাড়াৰ লড়ীৰ দ্বাৰা কঢ়িয়াই আনি বন বিভাগৰ ডিপোত থৈ লট বনাই ১৯৭৭ চনৰ অসম বনজ সম্পদ, কুপ, মহল বিক্ৰিৰ নিয়মাৱলী অনুসৰি সেইবোৰ নিবিদা আহ্বান কৰি বা নীলামত বিক্ৰি কৰা হয়। এই বিভিন্ন পৰ্য্যায়ত অৰ্থাত গছ মাৰ্কা কৰা, টুকুৰা কৰা, ডিপোলৈ অনা, লট বনোৱা আদি সকলো পৰ্য্যায়তে নিৰ্দ্ধাৰীত প্ৰপত্ৰত গছৰ টুকুৰাৰ জোখ-মাপ লিপিবদ্ধ কৰা হয়।

(খ) কাছাৰ বনসংমণ্ডলৰ ভিতৰত দোৱাৰবন্দ নামৰ কোনো বনাঞ্চলিক কাৰ্য্যালয় নাই। গতিকে দোৱাৰবন্দ বনাঞ্চলত বিভাগীয়ভাবে কাঠ আহৰণ কৰাৰ প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

বিষয়ঃ ৰবি শস্যৰ বিতৰণ।

শ্ৰীউৎপল দত্তই সুধিছেঃ

*১০৫৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰৰ নীতি অনুযায়ী ৰবি শস্যৰ বিতৰণ আচঁনিখন লক্ষীমপুৰ জিলাত কাৰ্য্যকৰী কৰা হৈছেনে ?

(খ) বিনামূল্যে ট্ৰেক্টৰেৰে মাটি চহোৱা আচঁনিখন লক্ষীমপুৰ জিলাত প্ৰৱৰ্ত্তন কৰা হৈছে নে ?

শ্ৰীদেৱ কুমাৰ বৰা ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছেঃ

(ক) হয়, হৈছে।

(খ) বিনামূল্যে ট্ৰেক্টৰেৰে মাটি চহোৱা আচঁনি অসমৰ কোনো জিলাতে এতিয়ালৈকে লোৱা হোৱা নাই।

বিষয়ঃ বনাঞ্চলৰ মীন মহল।

শ্ৰীৰশিদুল হকে, সুধিছেঃ

*১০৬০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্যৰ বনাঞ্চলৰ ভিতৰৰ মীন মহলবোৰ লীজত দিয়া বন্ধ কৰি দিয়া কথাটো হয়নে ?

(খ) এই মীন মহলবোৰৰ দ্বাৰা চৰকাৰে পূৰ্ব্বতে বছৰি কিমান টকা ৰাজহ পাইছিল ?

(গ) এই মীন মহলবোৰৰ পুনৰ লীজত দিয়াৰ ব্যৱস্থা কৰিবনে ?

(ঘ) যদি নকৰে. কিয় ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছেঃ

(ক) ৰাষ্ট্ৰীয় উদ্যান বা অভায়াৰণ্যৰ ভিতৰত থকা মাছৰ মহল বিলাকহে

বন্ধ কৰিবলৈ নিৰ্দ্দেশ দিয়াটো সত্য। তাৰে কিছুমান ইতিমধ্যে বন্ধ কৰি দিয়া হৈছে আৰু আন কিছুমানৰ ক্ষেত্ৰত লিখা-লিখি চলি আছে।

(খ) সময়ৰ নাটনিৰ বাবে সংমণ্ডল বিলাকৰ পৰা তথ্য আহি নোপোৱাত ৰাজহৰ পৰিমান জনাব পৰা নহ'ল।

(গ) কৰা নহয়।

(ঘ) ভাৰত চৰকাৰে প্ৰনয়ন কৰা ১৯৭২ চনৰ বন্য জন্তু (সংৰক্ষন) বিধি অনুসৰি ৰাষ্ট্ৰীয় উদ্যান বা অভয়াৰণ্যৰ ভিতৰত কোনো মাছ আদি মৰাটো নিষেধ। গতিকে এই বন্ধ কৰা মহলবোৰ পুনৰ খুলি দিয়াৰ প্ৰশ্ন নুঠে।

বিষয়ঃ বৰপেটা বাঘবৰ গড়কাপ্তানী আলি।

শ্ৰীশ্বেখ আব্দুল হামিদে সুধিছেঃ

*১০৬১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰপেটা বাঘবৰ গড়কাপ্তানী আলিৰ বৰপেটা মন্দিয়া খন্দৰ আলিৰ কাষে কাষে থকা খৈৰৰ পৰা বিভিন্ন ইটাৰ ভাটাৰ শ্ৰমিক সকলে ভাটাৰ বাবে মাটি কাটি নিয়াৰ ফলত উক্ত ৰাস্তাটো বাৰিষা কালত ছিগি যোৱাৰ আশংকা সম্পৰ্কে চৰকাৰ সজাগনে ?

(খ) যদি সজাগ, এই ৰাষ্টাৰ সমান্তৰালকৈ পূব ফালৰ ৰিজাৰ্ভৰ অন্ততে ১০০ মিটাৰকৈ ঠাই এই ৰাষ্টাৰ মেৰামতি আৰু অন্যান্য প্ৰয়োজনৰ বাবে চৰকাৰে সংৰক্ষণ কৰি ৰাহিৰা লোক বা ভাটা আদিৰ দ্বাৰা মাটি কটা নিষিদ্ধ কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয় সজাগ। তেনে ধৰণৰ কোনো সম্ভাৱনা দেখা নেযায়।

(খ) গতিকে প্ৰশ্ন নুঠে।

বিষয়ঃ কমলাবাৰী লক্ষীমপুৰ গড়কাপ্তানী পথ।

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছেঃ

*১০৬২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পৃথিৱীৰ বৃহত্তৰ নদী দ্বীপ মাজুলীৰ ৰাজহাড় স্বৰূপ (N.L.K.) কমলাবাৰী-লক্ষীমপুৰ গড়কাপ্তানী পথটোৰ বেয়া অৱস্থাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে স্বাধীনতাৰ ৪০-৪১ বছৰ হৈ যোৱাৰ পাচতো উক্ত পথটোৰ দৰিয়াডুবি ছিগা টুকুৰাৰ উন্নয়নৰ কিয় ব্যৱস্থা কৰা হোৱা নাই ?

(গ) অতি সোনকালে উক্ত পথটো মেৰামতিৰ ব্যৱস্থা গ্ৰহন কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয় জানে।

(খ) আৱশ্যকীয় পূজিৰ অভাবত উন্নয়নৰ কাম হাতত লব পৰা হোৱা নাই।

(গ) চৰকাৰৰ বিবেচনাধীন।

## Voting on Demands for Grands

Mr. Speaker : Now item No. 2. **Shri Maziruddin Ahmed.**

Shri Maziruddin Ahmed, Mr. Speaker Sir, in support of my Cut Motion on Grant No. 56 : Rural Development (Panchayat), I would like to state the following points.

At present, Panchayat seems to be non functioning and there is no activity of the Panchayats. The

Panchyat is first of all to look to the assessment of tax and realisation of tax. But there is no such functioning of the Panchayats. The Panchayat personnel have no authority even to do this. They are very free for giving settlement of fisheries and hats without respecting to the prevailing norms to be followed. It is found in many cases that the persons who have allegiance to the AGP get settlement without even offering tender or by superseding the highest tenders given by some other persons. Then this Panchayat money is mis-appropriated. In Goalpara, the Panchayats are running by the ad-hoc bodies constituted by this Government from the very beginning of their coming to power. Their argument was that they did not get the President's assent. Presently, it has got the assent of the Present. But there is no such arragement for holding the Panchayat elections. Instead, adhoc bodies are formed by persons of AGP. In some cases, 2/3, persons of the same village or locality have been taken in the ad-hoc body. Persons from minority areas have not been included in the ad-hoc bodies. In Goalpara District, the minorities constitute 55% of the population. But We find, not even 10% representatives of the minorities has been included in the adhoc bodies. In my Constitutency, there is not a single member from the minority community in the Panchayat ad-hoc Committee. This is how the Panchayats are running without representation of the minorities. This Government assured at the beginning that they would do justice to the all

communities. But we find there is no justice being done to the minorities.

Sir, due to non realisation or non assessment of tax, the salaries of the officers could not be paid. We find the salaries of the officers have remained pending for about 3/4 years. In the meantime, we have got reports that many persons have committed suicide for want of non-payment of salary.

The main idea of Panchayat is for decentralisation of power to the people. But here we find, decentralisation has not been done, as the Government is not interested in delegating powers. The Hon'ble Minister for Rural Development ( Panchayat ) assured in the House in 1986 that the elections would be held in May, 1987. But uptil now, no election has been held and the masses have been denied in taking part in the affair of their own. The pretext of not holding elections is that the electoral rolls have not been prepared. But what is the reason ? This Government came to power with the voter list of 1985. If this list is valid for Assembly elections, why it is not valid of Panchayat elections ? Probably, they have been thinking that the result would not come in their favour. The voter list can be prepared within three months. What is the cause of not preparing the voter list. They said, there are large number of foreigners in the State. In $3\frac{1}{2}$ years, only 2000 cases have been pending in Tribunal and 299 persons have so far been deported. It is a

very funny thing. I asked one Police Officer— what do you do with these persons ? He said, they take the people to the border and drop them on the border, and these persons so deported return home before our officers return.

This Government came to power with the blessings of Shri Rajiv Gandhi through an Accord, During the agitation it was declared that lakhs and lakhs of foreigners are living in the State and they should be driven out. But this has failed. These agitators who retarded the progress of the State for 6 years in the name of driving out the foreigners, have not been able to detect foreigners. There is a saying by one Bangladeshi poet in describing the prowess of an warrior. It is like this "(in Bengali)" তলোৱাৰ ছাড়িয়া মৰদ খাপ হাতে নিল, লাখে লাখে কাটে মৰদ নাহিক শুমাৰ গুনিয়া দেখেন মৰদ ২/৩ হাজাৰ According to the agitators there were lakhs of foreigners in the State of Assam. But when they engaged their officers to detect foreigners they could not find as declared. So this detection of foreigners has been given a good-by. So I submit Sir, if the Panchayats are to function it should function democratically and there should be election and it should be held immediately on the basis of 1985 electoral rolls. In that case people can take part and execise their rights and safeguard their interests, economic and others. But this Government is afraid to face the election. A few days ago Government sponsored boycot by officers for not taking part in the

preparation of electoral rolls was declard. It was sponsored by the Government through ASSU volunteers of AGP. They sat before the Government offices and they were served tea and other things by Government officers ( voice : shame ). But when these picketers were not there the offices were locked. When people went to the offices they wanted to know why the offices were locked when there were no picketers. They were told that they may not be here been but they may come any moment. This is how the Government is running the administration. But now voters list is going to be prepared. But why steps were not taken earlier ? If steps were taken earlier there would have been no problem for the people to come forward and take part in the democratic process and take part in their local democratic institutions. Now, in these $3\frac{1}{2}$ years of this Government nothing has been done in the minorities areas ; they have been left to their fate. This Government has been practising anti-minority attitude and it is chauvinistic in character. They want to deprive the minority of their political rights. This Government has done mistake by calling the Indian citizens foreigners, particularly the people living in the Char areas. These people who are living in the char areas are posted with all documents. Whenever any officer goes there they show their documents. So if this Government want to do any service to the people they should go democratically and allow the people to take part in the Panchayats for effective development with co-operation of all. If the minorities

are left out there will be no end of mistrust and disunity. There will be rise of mistrust and ill feelings among various communities. As a result each group are demanding separate state and separate languages. So Sir, I would suggest that Government should do things with the help of all and try to improve their economic condition and ameliorate their grievances. It will be unwise to allow a particular community to progress. The Government should take all the people, who are under developed, who are not getting any benefit of education, into confidence and give them the facilities for their all round development. Each and every person of the State should be taken into confidence in making a prosperous Assam. Otherwise future of the state will be very precarious. We have seen what has happened during these $3\frac{1}{2}$ years. It is time to ponder over the matter and work for unity among all sections of people living in the State. If this is not done Assam will become divided in times to come. So we should take lesson and try to out our heads and mind together ot bring Assam in the economic map of the country. Unless we give up slogans, we cannot improve. We should always work in co-operation with all sections of people and ethnic groups to make our State prosperous. We should sink all our differences for the welfare of the State. Sir, I am not going to speak any more. I hope our Hon'ble Panchayat Minister will leave no stone unturned to remove the grievances of all sections of

the people living in the State and usher in a new era for the administration of "Rural Development and Panchayat". With these words, sir, I conclude.

Mr. Speaker : Now, the Hon'ble Member Shri Ganesh Boro.

শ্ৰীগনেশ বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পঞ্চায়ত বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ আনিছো আৰু তাৰ ওপৰত কেইটামান মন্তব্য দিব বিচাৰিছো। অসমত পঞ্চায়ত বুলি কিবা এটা বস্তু যে আছে সেইটো আমি একেবাৰে পাহৰি গৈছো আৰু আমাৰ ৰাইজেও পঞ্চায়তৰ কথা পাহৰি গৈছে। যি সকল গাওঁত বসবাস কৰা ৰাইজ, যি সকলক ক্ষমতা প্ৰদান কৰি নিজৰ অভাৱ অভিযোগ যা তেওঁলোকৰ সমস্যা সমূহ সমাধান কৰা কাৰণে যি পঞ্চায়ত ব্যৱস্থা সেই ব্যৱস্থা একেবাৰে নাইকিয়া হৈছে আৰু তাৰ কাৰণেই পঞ্চায়ত ব্যৱস্থাটো তেওঁলোকৰ কাৰণে এটা সাথকৰ লেখিয়া হৈ পৰিছে। গতিকে মই ভাবো যে যদি গাওঁৰ ৰাইজৰ কাৰণেই এই পঞ্চায়তীৰাজ ব্যৱস্থা কৰা হৈছে আৰু যদি গাওঁৰ ৰাইজৰ কাৰণেই ৰাজ্য চৰকাৰে এটা শকট পুজিৰ ব্যৱস্থা কৰিছে তেনে ক্ষেত্ৰত যদি এই বিভাগটোৱে সেই কাম কৰাত ব্যৰ্থ হয় তেনেহলে এই বিভাগটো ৰাখি থোৱাৰ কোনো যুক্তি যুক্ততা নাই। সেই কাৰণে মই ভাবো অসমৰ পঞ্চায়ত বিভাগটো উঠাই দিব লাগে আৰু ইয়াৰ বাবে যি দাবী মঞ্জুৰী বিচৰা হৈছে সেইখিনি বেলেগ বিভাগলৈ হস্তান্তৰ কৰিব লাগে যাৰ দ্বাৰা সৰ্ব্ব সাধাৰণ ৰাইজ উপকৃত হয়। এই ধনবোৰ যদি গড়কাপ্তানি বিভাগক দিয়া হলহেতেন তেনেহলেও ৰাইজ উপকৃত হলহেতেন। এই ক্ষেত্ৰত মোৰ এটা ভয় হৈছে যে যিহেতু এই বিভাগটোৱে জনসাধাৰণৰ কোনো কাম কৰিব পৰা নাই সেই কাৰণে এই বিভাগটোৰ দায়িত্বত যিজন মন্ত্ৰী থাকে তেখেতবো পলিটিকেল কেৰিয়াৰ নষ্ট হোৱাৰ সম্ভাৱনা আছে। গতিকে যি বিভাগটোৱে এজন মন্ত্ৰীৰ পলিটিকেল কেৰিয়াৰ নষ্ট কৰিব পাৰে তেনেকুৱা এটা বিভাগ উঠাই দি চৰকাৰৰ মান মৰ্য্যাদা ৰক্ষা কৰাৰ ব্যৱস্থা কৰাই ভাল। অসমত আজিলৈকে পঞ্চায়তৰ নিৰ্ব্বাচন পতা নহল। পঞ্চায়তৰ বিষয়ে যিবোৰ আলোচনা

কৰা হয় সেইবোৰ কেৱল বিধান সভাতহে আলোচনা কৰা হয় আৰু বিধান সভাৰ পৰা ওলাই যোৱাৰ পিচতে এই বিষয়ে কোনো আলোচনা বা ইয়াৰ কাৰ্য্যকাৰীতা সম্পৰ্কে কোনো ব্যৱস্থা হাতত লোৱা নহয়। আজি কিমান বছৰৰ পৰা পঞ্চায়তৰ কৰ্ম্মচাৰী সকলে দৰমহা পোৱা নাই সেইকথা চৰকাৰে এবাৰো চিন্তা কৰা নাই। এইটো জানো এটা মানবীয় কাম হৈছে? চৰকাৰী কৰ্ম্মচাৰীসকলে মাহৰ শেষৰ দিনা বা ১ তাৰিখে দৰমহা নাপালে হুলস্থুল লাগে কিন্তু পঞ্চায়ত কৰ্ম্মচাৰী সকলে আজি বছৰৰ পিচত বছৰ ধৰি যে দৰমহা পোৱা নাই সেই বিষয়ে এই চৰকাৰে এবাৰো চিন্তা কৰা নাই। তেওঁলোক কি মানুহ নহয়, তেওঁলোকৰ কি সংসাৰ নাই, তেওঁলোকে কি খাই লৈ জীয়াই থাকিব নালাগে? গতিকে এনে অৱস্থাৰে এই বিভাগটো জীয়াই ৰখাটো মই বিচৰা নাই। আজি এই বিভাগটোৱে নিৰ্ব্বাচন নাপাতি গাওঁ পঞ্চায়ত আৰু মহকুমা পৰিষদবোৰ এডহক হিচাবে গঠন কৰিছে। চৰকাৰে হয়তো কিবা বিশেষ কাৰণত পৰি নিৰ্ব্বাচন পাতিব নোৱাৰি এইবোৰ এডহক হিচাবে গঠন কৰিছে, তাত আমি আপত্তি কৰিবলগীয়া নাই। কিন্তু যিবোৰ খাম খেয়ালি মনোভাব লৈ এইবোৰ গঠন কৰা হৈছে সেই ক্ষেত্ৰতহে আমি আপত্তি কৰিবলগীয়া হৈছে। উদাহৰণ স্বৰূপে কোকৰাঝাৰ জিলাৰ মহকুমা পৰিষদ আৰু গাওঁ পঞ্চায়ত সমূহ যি ধৰণে গঠন কৰা হৈছে তাত জনজাতীয়লোকৰ স্বাৰ্থ ৰক্ষা কৰিব পৰা নাই। তাত যদি আজিও নীতিগত ভাবৰ নিৰ্ব্বাচন পতা হয় তেনেহলে জনজাতীয় সকলেই সংখ্যা গৰিষ্ঠতা লাভ কৰিব পাৰিব। তাত এতিয়া যি সকল লোকক সভাপতি আৰু সদস্য পতা হৈছে সেই সকলে কেনে ধৰণে কাম কৰিছে সেই কথা আমি জনাৰ বাহিৰেও পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়েও ভালদৰে জানিব পাৰিছে। তাত জনজাতীয় ৰাইজৰ স্বাৰ্থ সম্পূৰ্ণ ভাবে লাঘব কৰা হৈছে। সেই কাৰণেই আজি সেই অঞ্চলৰ ৰাইজ ক্ষুদ্ধ হৈ পৰিছে আৰু এই চৰকাৰে যে তেওঁলোকৰ কিবা উপকাৰ সাধিব পাৰিব সেই বিশ্বাস নাইকিয়া হৈছে। সেই কাৰণে এই এডহক কমিটিবোৰৰ বিষয়ে চৰকাৰে আকৌ এবাৰ পৰ্য্যালোচনা কৰা প্ৰয়োজন আৰু ইয়াক যদি সৰ্ব্ব সাধাৰণ ৰাইজৰ স্বাৰ্থত লগাকৈ গঠন কৰিব পাৰে তেতিয়াহলে কিছু পৰিমানে হলেও

সেই সকল বাইজৰ স্বাৰ্থ ৰক্ষা পৰিব আৰু বিশেষকৈ মই কোকৰাঝাৰ অঞ্চলৰ ক্ষেত্ৰত এই বিষয়ে চৰকাৰে ভালদৰে চিন্তা কৰিব বুলি আশা ৰাখিলো।

অধ্যক্ষ মহোদয়, পঞ্চায়তীৰাজ ব্যৱস্থা শক্তিশালী কৰাৰ কাৰণে অলপতে আমাৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে এক বিশেষ আচঁনিৰ কথা ঘোষণা কৰা আমি সকলোৱে জানিব পাৰিছো। কিন্তু প্ৰধান মন্ত্ৰীৰ পঞ্চায়তীৰাজৰ সেই শ্লোগান অসমলৈ আহি পায় নে নাপায় সেই ক্ষেত্ৰত মোৰ কিছু সন্দেহ আছে।

কিন্তু আজিও আমাৰ বিশ্বাস হোৱা নাই যে ৰাজীৱ গান্ধীৰ পঞ্চায়ত ব্যৱস্থাই অসম চুবহি। মোৰ বোধেৰে অসম আৰু পশ্চিমবঙ্গৰ সীমাতে ৰাজীৱ গান্ধীৰ পঞ্চায়তৰ ঢৌ শেষ হব। আমি মিছাতে আশাবাদী হৈ আছো। গতিকে আমি বছৰি বছৰি পঞ্চায়ত শিতানৰ মঞ্জুৰী দি থাকিলে আমাৰ টকাখিনিহে লোকচান হব। জৰাজীৰ্ণ অসমৰ এই অৱস্থাত আমি পঞ্চায়তক এই টকা নিদি বৰং অন্যবিভাগতহে খৰচ কৰা ভাল হব তেতিয়া কামত আহিব। কাৰণ আমি দেখিছো আমাৰ যিবিলাক মহকুমা পৰিষদ বা গাওঁ পঞ্চায়তৰ সভাপতি বিলাক এণ্ডকত দিছে তেওঁলোকে নিজৰ খুচিমতে কাম কৰে। খুচীমতে কাম কৰাত আমাৰ একো আপত্তি নাছিল যদি কামখিনি ভালকৈ কৰিলেহেঁতেন। মই কেইটামান উদাহৰণ দিব বিচাৰিছো মোৰ বৰোবজাৰ ব্লক পৰে। এই ব্লকৰ অধীনত হেনো কেইটামান অঙ্গনবাদী কেন্দ্ৰ হব তাৰ কাৰণে এজন বিষয়া মোৰ ওচৰলৈ আহিছিল আৰু কৈছিল যে এই কেন্দ্ৰ সমূহ আৰু তাত যি মাতৃ শিক্ষক বা সহায়িকা থাকিব সেইবিলাক বিধায়কৰ লগত আলোচনা কৰি কৰা হব। কাৰণ ১২০ টা কেন্দ্ৰ হব আৰু এটা কেন্দ্ৰত দুজনীকৈ মাতৃ শিক্ষয়িত্ৰী অৰ্থাত ২৪০ গৰাকীক নিযুক্তি দিব লাগিব। তাৰ পিছত গম পালো যে পঞ্চায়ত যি সকল এডহক সভাপতি আৰু কাউন্সিলৰ আছে তেওঁলোকে হেনো হস্তক্ষেপ কৰি এইখিনি ঠিক কৰিলে। এই ঘটনাটো ১৯৮৮ চনৰ আদিতে। বিধায়কৰ তাত হেনো কৰিবলগীয়া একো নাই। তেওঁলোকে কৰাত মোৰ কোনো আপত্তি

নাছিল কাৰণ মই মাঠা ঘামোৰাৰ পৰা বাছি গলো কিন্তু তেওঁলোকে যিবিলাক কৰিলে তাতহে ক্ৰবলগীয়া হ'ল। তেওঁলোকে যেনেদৰে কেন্দ্ৰ সমূহ নিৰ্ব্বাচন কৰিলে আৰু শিক্ষয়িত্ৰী নিৰ্ব্বাচন কৰিলে সেইটো আচৰিত কথা। মই জানো অঙ্গনবাদী পঞ্চায়তত নপৰে কিন্তু নপৰা স্বত্বেও এডহক কাউন্সিলৰ আৰু সভাপতি সকলে হস্তক্ষেপ কৰি কি কৰিলে সেই কাৰণে বিষয়টো উত্থাপন কৰিবলগীয়া হৈছে। বিষয়াজনে আলোচনা কৰোতে কৈছিল যে শিক্ষয়িত্ৰীসকল কমেও মেট্ৰিকুলেট হব লাগিব আৰু গাওঁ অঞ্চলত কৰবাত মেট্ৰিকুলেট নাপালে আন্দাৰ মেট্ৰিককে দিয়া হব। আনহাতে মই সাম্প্ৰদায়িক কথাবিলাক বেয়া পাওঁ যদিও তেওঁ আলোচনা কালত কৈছিল যে ৰাইজৰ যাতে এই আচনিৰ দ্বাৰা উপকাৰ হয় তাৰ কাৰণে জনজাতি গাওঁত জনজাতিৰ ছোৱালী, নেপালী গাওঁত নেপালী ছোৱালী অসমীয়া গাওঁত অসমীয়া ছোৱালী দিয়াৰ ব্যৱস্থা কৰা হব। কিন্তু কাৰ্য্য ক্ষেত্ৰত এই কাউন্সিলৰ, সভাপতি সকলে কি কৰিলে? মেট্ৰিক আন্দাৰ মেট্ৰিক দূৰৰ কথা কোনোবকম চহী দিব নোৱাৰাটোকো নিযুক্তি দিছে, বয়সৰ কথাই নাই, লোকেলৰ কথাই নাই, যোগ্যতাৰ কথাই নাই। মই একো নকও মন্ত্ৰী মহোদয়ে এই বৰোবজাৰ ব্লকত কি হৈছে তদন্ত কৰক সকলো কথা ওলাই পৰিব। অকল ইয়াত বুলিয়ে নহয় চাকৰী বাকৰী সকলো ক্ষেত্ৰতে এই এডহক সভাপতি কাউন্সিলৰ হস্তক্ষেপ এখোপ চৰাহৈ গৈছে। বিধায়কক পট্টা নিদিয়ে পট্টা নিদিয়াত আমি বেয়া পোৱা নাই তেওঁলোকে ভাল কাম কৰা হলে। সেই কাৰণে এই মঞ্জুৰীৰ মই বিৰোধীতা কৰিছো। পঞ্চায়তে নতুন কিবা এটাৰ ব্যৱস্থা কৰক। এইখিনিকে কৈ মোৰ বক্তিতাৰ সামৰণি মাৰিলো।

(At 0957 Hrs. Hon'ble Speaker Vacates the chair and Mr. Deputy speaker occupies the Chair)

শ্ৰীহেমেন দাস: মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি এই বিভাগটোৰ ওপৰত কব বিছাৰিছো। প্ৰকৃতাৰ্থত পঞ্চায়ত বিভাগটো সমালোচনাৰ পৰা বঞ্চিত হৈছে। এই বিভাগটো সমালোচনাৰ যোগ্য নহয়। সমালোচনাৰ অযোগ্য এটা বিভাগ। মই দুটা কথা

কৰলৈ ওলাইছো। এজিপি চৰকাৰে এটা সুন্দৰ সুযোগ হেৰুৱাইছে Chance never comes twice সুযোগ এইবাৰ আহিছিল কিন্তু বেচেৰা সকলে এই সুযোগ হেৰুৱাইছে। উপাধ্যক্ষ মহোদয়, পঞ্চায়ত নিৰ্ব্বাচন বস্তুটো আছিল সংবিধানৰ ৪০ অনুচ্ছেদমতে ৰাজ্য চৰকাৰৰ তালিকাৰ বিষয়বস্তু। ৰাজ্য চৰকাৰেই পঞ্চায়ত সম্পৰ্কে আইন ৰচনা কৰিব। পঞ্চায়তৰ নিৰ্ব্বাচন, পঞ্চায়তৰ শিতানত টকা পইছা কেনেকৈ খৰছ কৰিব এইবিলাক ৰাজ্য চৰকাৰৰ শাসনৰ অধীনত। গতিকে সাংবিধানিক নিয়মমতে পঞ্চায়তৰ ভোটাৰ লিষ্ঠ ৰাজ্য চৰকাৰে তৈয়াৰ কৰাৰ সুযোগ পাইছিল। তেওঁলোকৰ নিজৰ খুচিমতে ভোটাৰ লিষ্ট তৌয়াৰ কৰি কাক ক'ত বাদ দিয়ে দিব পাৰিলেহেতেন। যিহেতু পঞ্চায়তৰ ভোটাৰ লিষ্ট ৰাজ্য চৰকাৰৰ এক্তিয়াৰৰ ভিতৰত পৰে ... ... ...

শ্ৰীদীন বন্ধু চৌধুৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত আইন A point of clarification sir. Rule 8 Section 1. The Electoral Roll of the Assam Legislative Assembly prepared under the provision of the Representation of Peoples "Act 1951 and in force on such date as the State Government by general order or special order notified."

The Electoral Roll prepared under the Representation of Peoples' Act.

গতিকে ইলেকটোৰেল ৰোল সম্পৰ্কত নিৰ্ব্বাচনী আয়োগৰ কোনো নিৰ্দ্দেশ অনা নাছিল আনহাতে পিপুলচ্ এক্টমতে পঞ্চায়ত নিৰ্ব্বাচন ৰাজ্য চৰকাৰৰ এক্তিয়াৰৰ বিষয়বস্তু নহয়।

আগৰ পঞ্চায়ত ব্যৱস্থাত ৰাজ্যচৰকাৰৰ এক্তিয়াৰৰ ভিতৰতে আছিল। কিন্তু গণপৰিষদ চৰকাৰে এই সুযোগ গ্ৰহণ কৰিব নোৱাৰিলে। গোটেই কথাটো হ'ল, সেইদিনালৈকে পঞ্চায়ত নিৰ্ব্বাচন ৰাজ্যচৰকাৰৰ তালিকাৰ বিষয় বস্তু আছিল। কিন্তু আজি সেইটো নহয়। আজি বিষয়টো উমৈহতীয়া তালিকালৈ লৈ গ'ল। ইয়াত সংশোধনী সংবিধানৰ ৬৪ নং

এমিণ্টমেণ্টত ভোটাৰ লিষ্ট তৈয়াৰ কৰা দায়িত্ব নিৰ্ব্বাচনী কমিচনৰ। আগতে এই দায়িত্ব নিৰ্ব্বাচনী কমিচনৰ নাছিল। এতিয়া নিৰ্ব্বাচনী আয়োগৰ দিয়া তালিকা মতেহে পঞ্চায়ত নিৰ্ব্বাচনী কৰিব লাগিব। আগতে সেই ভোটাৰ লিষ্ট খন ৰাজ্যচৰকাৰে ব্যৱহাৰ কৰা নকৰাটো স্বকীয়া কথা কিন্তু তেওঁলোকে লিষ্ট খন তৈয়াৰ কৰি দিয়াতো এটা অন্য কথা। সংবিধানৰ সংশোধনী এমেণ্টমেণ্ট মতে বহু কথা আহি পৰিছে। আগতে কেন্দ্ৰীয় চৰকাৰে বিত্ত আয়োগ গঠনৰ জৰিয়তে বিভিন্ন ৰাজ্যৰ মাজত অৰ্থ সাহায্য বিতৰণ কৰিছিল। কিন্তু ৪৬ তম সংশোধনীৰ জৰিয়তে কেন্দ্ৰই ৰাজ্য সমূহক বিত্ত আয়োগ গঠনৰ বাবে বাধ্য কৰাইছে আৰু এই বিত্ত আয়োগে বিভিন্ন পঞ্চায়ত সমূহৰ মাজত সাহায্য বিতৰণ কৰিব লাগিব। এতিয়া চাওঁক আপোনালোকে নিজৰ সুযোগ নিজে নষ্ট কৰিলে। কেন্দ্ৰক সোমাবলৈ আপোনালোকেই বাধ্য কৰালে। এতিয়া আৰু কোনো উপায় নাই। আমাৰ পঞ্চায়ত মন্ত্ৰীয়ে কিছুমান বেগাচ কামলৈ ব্যস্ত হৈ থাকিবলগীয়া হৈছে। বজাৰ হাটৰ কেচ লৈ ব্যস্ত থাকিবলগীয়া হৈছে। এই বজাৰ হাট বিলাকো কোনো নীতি নিয়ম নোহোৱাকৈ বন্দোবস্তী দিয়াৰ ফলত এনেকুৱা হৈছে। ইয়াৰ কোনো মা-বাপ নোহোৱা হৈছে। সকলো কেচেই মন্ত্ৰী মহোদয়ৰ ওচৰলৈ যায়। আগতেও গৈছিল। কিন্তু এতিয়া সেই কাৰ্য্য বেচি হৈছে। যিবিলাক মানুহ গাওঁ পঞ্চায়তৰ সদস্যৰে যোগ্য নহয় তেওঁলোকক কাউনচিলৰ কৰি দিয়া হৈছে। মোৰ সমষ্টিত একেখন গাওঁৰ পৰা চাৰিজন কাউনচিলৰ দিয়া হ'ল। তেওঁলোকৰ নাম কেইটা হ'ল— শ্ৰীদালিম দেউৰী, বিপিন নাথ, জগন্নাথ দাস আৰু দধী দাস। তেওঁলোকক বৰপেটা মহকুমাৰ সৰভোগৰ পাচঁটা গাওঁ সভা ভগাই দিয়া হ'ল। এজনৰ ভাগত গাওঁ সভা নপৰিলেই। তেখেতে মোক কলে এতিয়া কি কৰো। মই কলো আপোনাৰ কাম নাই যদি ঘুৰি ফুৰক। এইটো এটা দুৰ্ভাগ্যৰ কথা। নিজে সুযোগ লৈছে কিন্তু আনক সুযোগ আপোনালোকে নিদিলে। আপোনালোকে গনতন্ত্ৰ পুৰি খাইছে। টকা বিলাক ভাগ বতৰা কৰিছে। এতিয়া এই বিলাক যে গ্ৰাণ্ট দিয়া ব্যৱস্থা কৰিছে, সেই বিলাক বন্ধ কৰক। এই যে চি, ডি গ্ৰাণ্ট দিছে এই বিলাক টকা কোনো কামত অহা

নাই। টকা কেইটা এনেয়ে খৰছ নকৰিব। গাওঁৰ ৰাস্তা বন্ধাৰ কাৰণে এম, এন, পি আছে এন, আৰ, ই, পি আছে। মোৰ সমষ্টিত এটা ৰাস্তা চিডি গ্ৰান্তৰ পৰা কৰিলে। তেতিয়া মই সুধিলো এই ৰাস্তা কোনে কৰিছে। কিন্তু সেই কথা পঞ্চায়তৰ কোনেও কব নোৱাৰিলে। কাউনচিলৰ, বি, ডি, ও সকলোৱে কলে এইটো হৈছে ডাইৰেক্ট লিংক। তাত যিবিলাক লেবাৰে কাম কৰিছে তাত তিৰোতা কেইজনীমান দেখা গল। তেওঁলোক তাৰ পৰা ৫ মাইল আতৰত থাকে। আহি তেওঁলোকে মাত্ৰ ৰাস্তাটোত অলপ মাটি চতিয়াই দিছে। মই তেওঁলোকক খেদি পঠালো। তেওঁলোকক মই তাত থকালৈ কাম কৰিব বাধা কৰিলো। বি, ডি, ও য়ে কৈছে মহকুমা পৰিষদে তেওঁলোকক লগাইছে। কিন্তু মহকুমা পৰিষদৰ হাজিৰা দিয়া ঠিকা কাম কৰা কাম নহয়। আমাৰ সমষ্টিত ৰাইজে নিজৰ ৰাস্তা নিজে বান্ধি লয়। তাৰ পাচত টকাটো আদায় লয়। সেই টকাটো হয় নামঘৰত নহয় স্কুললৈ যায়।

ৰাইজে ৰাস্তা কেইটা বান্ধে আৰু টকা নিয়ে। এই ধৰণে কৰি কোনোবাই টকাখিনি নামঘৰত লগাব, কোনোবাই এল, পি স্কুলত লগাব, এই পদ্ধতিত চলি আছে। আমি এই টকাৰ খবৰ নাপাওঁ আনকি বি, ডি, অ, ই খবৰ নাপায়। সেই কাৰণে মই কৈছো তেওঁলোকক গ্ৰান্ট নিদিব। ঠিকমতে ৰজাৰ বিলাক ডাক হয়নে নহয় নজৰ দিব। যদি গ্ৰান্ট দিয়ে তেন্তে সুনিৰ্দ্দিষ্ট কৰি দিব যে এই কেইটা টকা কৰ্ম্মচাৰীৰ বেতনৰ বাবে। কৰ্ম্মচাৰীসকলে অনাহাৰত থকাটো সমৰ্থন নকৰো। এইখিনিকে কৈ মই বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker: Now, Shri Binai Khungur Basumatari.

**Shri Binai Khungur Basumatari** : Hon'ble Deputy Speaker, Sir. In support of my cut motion I wish to observe a few points. Sir, first as my predecessor has pointed out I want to read out the provisions

of the Constitution of India, Article 40, which is a part of the Directive Principles of State Policy. I quote—The State shall take steps to organise village panchayats and endow them with such powers and authority as may be necessary to enable them to function as units of self government. These are very important words that have been put into our Constitution which if these were given effect to a lot of unhappiness at grassroots level could have been tackled. Sir, there are many things in our Constitution but by this Article 40 every village must be endowed with powers and authority to work as self government for the people of the village. But what happened in our case ? By our case I mean, Sir, the tribal case. I have for two three times in this House said that one Mohkuma Parishad has been constituted at Udalguri whose chief executive officer or chief councillor is a man who is not entitled to reside in tribal belt or block. He does not even have the law behind him to leve in tribal belt or block and this government appoints this man to run the Mohkuma Parishad of Udalguri subdivision. So what are the reasons ? If we want to turn this into simple language then this tribal areas of Assam is under the AGP Government converted into colonies of nontribal people. Sir, how can it be possible in a State where everyone says we are brothers. Everyone is aware of the law ; then how can this AGP Government convert the tribal areas into colonies of non-tribal people ? Because I have

been saying this the Assamese have been branding me as anti-Assamese force. But these people who brand me as anti-Assamese, do they understand the words of this Constitution ? So if I am branded as anti-Assamese by these forces then my answer will be these people who brand me as anti-Assamese are anti-Indian because they have gone against the Constitution of India. So in support of my observations with this serious situation I hope this Government will realise it. Then want to come over to the budgetary heads. Sir, you will find most of the money for this rural development and panchayat has gone for nutrition. In t he general areas the allocation is rupees three crores fortyfour thousand, Sixth schedule area rupees six lakhs Plan area and non Plan rupees ten lakhs sixtyone thousand. Then comes the rural development programmes —Plan areas General areas rupees seven corores thirty-three lakhs, Sixth schedule areas rupees eightythree lakhs and non Plan fiftythree lakhs. Sir, if you analyse these allocations further in the pages then you will see that for nutrition so much money has been provided, so much of money amounting to more than five crores for nutrition that one could have changed the physical situation of the children of our State. But if you go to the villages you will find many of our children are hungry, they are skin and bones, they do not have proper nutrition and they do not know whether they are on the verge of dying or on the verge of living. Then the question will be where

has this money gone, this five crores gone ? I hope, Sir, the hon'ble Minister when he replies he will give us satisfactory replies. Then even out of the special nutrition programme, tribal sub plan is thirtyone lakhs. Now if the special nutrition programme is of about rupees five crores then tribal sub plan allocation should be at least rupees fifty lakhs but only thirtyone lakhs have been provided. My predecessors have dwelt in length about this nutritional programme, so I do not want to repeat but I want to record that in many tribal areas this nutrition programme have benefitted certain persons, certain touts of the government who are working in conjunction with the block officer and they do not really go to the people in the interior rural areas. Then in this community development, panchayati raj seventy lakhs have been provided for plan areas and thirtyone lakhs for non plan areas and out of this for tribal sub plan areas eightyfive lakhs have been provided at page 4. Even if this eighty-five lakhs were provided for tribal areas development under community development then a lot of work could have been done. But what is happening ? Sir, in my block I have seen that most of the money out of this head goes for squatting plates and there is a big scandal going on about this squatting plates. Suppose the B.D.O. has ordered for the manufacture of 100 squatting plates, they are supplied in sub-standard quality, and as soon as they are brought to the compound of the B.D.O. ( so office, they get broken

down. This is what is going on in tribal areas. What would be the use of these squatting plates, sometimes they are repaired with the use of cement and then distributed among the tribal people which do not last. What is the idea behind it. The idea is that these tribal people—they live in unhygenic condition; so let them have these repaired things if they are of any use to them. It is an useless operation on the part of the government in the name of welfare of the tribals, and it creates resentment among the tribals. Similarly there are many other things which I would like to point out. At page 23 of the budget estimate on Panchayat & Rural Development, against 796 Tribal Areas Sub Plan (a) Community Dev. Project (9) Grant in Aid—Rs. 85,00,000 has been proposed. This amount of Rs. 85 lakhs is now converted into Grant-in-aid. So how do we analyse this budget estimate? Out of this grant-in-aid you provide for squatting plates or else this grant-in-aid is for what? What they will be going to do with this grant-in-aid in/tribal areas? Whether this money will bring any benefit to the tribal people at all; these are to be verified sir. I wish to conclude with this remark that our India became independent in 1947 and some time after 1950 the first rural development project that was started with the Community Project. Government of India launched the Community Development Projects and many buildings were constructed for these projects in many places. For long they have been left unused

and have become like haunted houses. This is what is happening in Udalguri. First this community project building was converted into the Block headquarter. Thereafter the same had been converted in to the Panchayat office. Sir under the community development project scheme many tractors and jeeps were provided and present in my Udalguri Block two such tractors and two jeeps/were provided by UNICEF also; but these have been in disrepair for long, and I in my capacity as chairman of the Block Level Committee moved the government for getting them repaired so that they could be made usable, but the State Government has not been able to do anything about it. Then it was proposed to the authority to see if they could be condemned and disposed of, but nothing has been done yet. Likewise may be crores of rupees which were spent for purchase of jeeps or tractors and construction of community houses have been allowed to go in waste. They could neither be made usable by repairs nor they are disposed of for whatever worth. So these money were of no long standing benefit to the people. This is what is happening. If we go in-bringing new institutions C.D. or under panchayat it should be seen that they bring real benefit to the rural people. Sir, first the community development project came into being; then came the institution of panchayats first it was a two-tier panchayat system and then it was converted into three-tier ones. So this way many experiments have been caried

out. It is not the end. Now very recently, Government of India have adopted the three-tier panchayat raj with new projection of autonomy. According to it, they are going to allow our rural people to become pigmies. Should we go on making experiments after experiments at the cost of the rural masses ? How can we bring progress ? How can we develop our rural areas if we go on experimenting like this with one procedure after another ? We have a lot of with this Government because their coming to power was something unusual; but I am sorry to say that they have also let us down. The have failed miserably. As my Hon'ble friend, Shri Das has said, effective functioning of the institution of panchayat is provided in the Constitution in its Directive Principles of State Policy. So this is a directive to the State and they should be taken on principle for institution of Panchayat system in the State and gone in for its election. The State Government should have realised it and should have exercised their right and conduct panchayat elections. Now the chance has really gone for them. But then are we going to have election of panchayats in the state or not ? What is about the working of the panchayat staff in tribal areas ? Today most of the panchayat offices have been burnt down by agitators. Why because there is a conspiracy sir. Government have resorted to harsh repressive measures in tribal villages particularly in Bodo villages. The police parties came to the villages and enquired about the buildings

remaining unoccupied. Police comes there and they occupy the office buildings which have been left by the occupants because of apprehensions. Police comes there and ask the gaon buras if there are any occupants in the buildings; gaon buras informed them in the negative and then the police said that they were coming to occupy them. They say that there are some criminal activity in the tribal village, and so they are going to station themselves in the vacant office buildings. Sir, it is only a ploy of the police people because they are afraid of staying there. So these office buildings are burnt by them so that they are not to occupy and remain there. It is only a ploy of the police. So this destruction of government properties is ploy to shatter the economy of the tribal people and all government development activities in tribal areas. This is the real picture in the tribal areas I place before the House and my Cut motion is on policy matter and so I have placed this before you in support of my Cut Motion. I hope the Government will change their attitude towards the tribals and the will stelast try to follow the Directive Principles of State Policy in so far as the tribal welfare is concerned. With these few words I conclude my speech sir.

**Shri Aminul Islam :** Mr. Deputy Speaker. in support of my cut Motion I would like to say a few words.

The dream of the father of the nation in bringing about all round development in every nook and corner of the country and to give its Rural Masses the taste of Democracy and Independence has come to naught. Sir, it is due to the 'autocratic' attitude of the party in power and themselves boast of being elected democratically, never hesitate to strangulate the democratic aspirations of the people at the village level. Sir, the Government of India of late has brought about a legislation with the intention to invigorate and revitalise the ailing Panchayat system. But I do not know whether it is an election gimmick or there lies sincere intention. Time will only tell us the truth. Though the legislation has been brought in by the Union Government the State Government has to play the major role in revitalising and invigorating the Panchayat system. The very intention of creating Ram Rajya by organising people at the village level and involving people of all sections, is yet to become a reality. Sir, we boast of being the citizens of the largest democracy in the world. But we have failed to strengthen the very fabric of the democractic forces at Panchayat level without involving the village people in the democratic process, without which we cannot give true democracy in the country. Sir, we have inherited a culture of Adhocism. The Government of Assam has committed a crime by not allowing its people to involve themselves in the matter of democratization of the Panchayati Raj. We have deprived

them of deciding their destiny. By opting for adhocism we have spoiled the very fabric of democratic process at the lower level. This system has stalled the process of growth of leadership at the village level. Sir, the intention of having a Panchayati Raj is to create a leadership at the village level and to involve people in all development works. But that has not been done. Neither the Government has been able to involve the people at the village level in developmental works. This adhocism has created nothing but a bunch of touts who have no leadership among the people. They are neither elected nor responsible to the people. This group of adhoc leaders has no responsiblity towards the socity and as they are not elected they are not accountable to the electorates. They are not at all sensitive towards the problems of villages. This adhoc system has created a void in the democratic process at Panchayat level. Sir, as the because the adhoc leaders are not elected, as because they are not sensitive towards the problems at the village level and as because they are not accountable to the people, a sense of autocracy develops in their mind. So, apart from developing growth of autocracy in their minds of the adhoc leaders, it has also encouaged psychophancy. This system of adocism is also the root cause of the growth of unhealthy pressure groups in the polity.

Sir, another aspect is about corruption. Much has

been said about corruption by many hon'ble members who participated in the discssion. And, many examples have been cited by them to show that corruption has become the order of the day in the Adhoc system. As the adhoc leaders are not accountable in any way to the people they tend to become corrupt and they suffer from inertia as they do not have a responsibility to the society. The State Government is also not found to be responsive towards the financial problems of the Panchayats. Almost all the Panchyats in the State are suffering from financial bankcruptcy. The State Government has not taken any positive steps to streng then the financial position without which we cannot have a good Panchayat system.

Sir, another aspect which is agitating the minds of all the people of Assam is the plight of Panchayat Employees. This unlucky lot have suffered a lot. Sir, the State Government machinery is accused of being indifferent towards the very genuine problems of the Panchayat employees. And, this has happened only because of the fact that their numerrical strength is too less to hold the Government machinery at ransom. Had their strength been in lakhs, no Government even would be able to remain indifferent towards their just and genuine demands.

Sir, one basic problem is that are the Panchayat employees not human being ? Are they not citizens of independent democratic country ? Are they not protected

by the constitutional provisions ? Sir, we all know that these people also have their children. As your children, as our children, the children of the Panchayat employees also need a cup of milk. Have you ever thought that the children of the Panchayat employees also need a cup of milk, two pieces of bread in a day. They need to have clothes and have to live in. But they are not being treated as human being, and they are being deprived of their legitimate demands. If the children come out and say, you are our father give us a cup of milk or a piece of bread, and if you cannot give it, what will be the reaction in your mind ? Sir, we cannot just ignore the fact that they are human being, they have sensitive elements of human being. Sir, we have also gone through number of news items in different about the hungry faces of the old Panchayat employees. The frustrated, deprived Panchayat employees committed suicide because they are left in such a situation that they could not survive like human being. Even they cannot survive like animal. So they are committing suicide. Out of frustration and despair, they have chosen such on extreme path. Even today in this August House we fail to do justice to these hungry people and for this the posterity will not spare us. Sir, let us try to convince our Government and here our Hon'ble Minister, panchayat is present. I humbly submit Sir to have a pragmatic approach on the problems of the panchayat employees. They should try to understand the agony of their

mind. Sir, while the Government of Assam can feed lakhs of employees, why the Government cannot take the responsibility of about 5 thousand employees of the Panchayat. But Sir, these employees are not considered as the employees of our State. Sir, this Government has failed to give these employees the status of the employees State Government. Why this is so ? This question should be answered positively here. If we want to serve the people of Assam, if we want to give a status to the employees of the State Government then we will have to give the employees of the panchayat the same status as that of the Government employees because they are also a part and parcel of the society, because they are human being they have their children to feed for whom they need education and medical attention. These are the primary necessity of human being. So, Sir, my humble submission before the Government is that Government must declare before the grant is passed that the panchayat employees will be treated as State Government employees and secondly, the election of the panchayats should be declared. Sir, with your permission I want to refer to a news item in Azir Asom, dated 21st May, 1989.

"২৫ মে'ৰ পৰা পঞ্চায়ত কৰ্ম্মী সন্থাৰ অনিৰ্দ্দিষ্ট কাললৈ পিকেটিং"

১৯৪৮ চনতে গাওঁ পঞ্চায়ত প্ৰৱৰ্ত্তন কৰি মহাত্মা গান্ধীৰ সপোনৰ ৰামৰাজ্যৰ কল্পনা কৰি অসমত গাওঁ পঞ্চায়ত গঠন কৰি প্ৰত্যেক পঞ্চায়তত ১ জনকৈ সম্পাদক নিয়োগ কৰিছিল। প্ৰথমতে তেওঁলোকৰ দৰমহা মাহেকত ৪০ টকা আছিল। পিচলৈ ৫০ টকা হৈছিল। ইয়াৰ পিচত

আইন সংশোধন কৰি পঞ্চায়তবোৰ তিনিতৰপীয়া কৰে যদিও পিচলৈ দুতৰপীয়া পঞ্চায়ত গঠন কৰি বৰ্ত্তমান অৱস্থালৈ ৭১৪ খন গাওঁ পঞ্চায়ত হয়গৈ। প্ৰতিখনত ৭ জনকৈ কৰ্ম্মচাৰী আছে যদিও বৰ্ত্তমানে ৪০ বছৰ পৰ্য্যন্ত কৰ্ম্মচাৰীৰ বেতন নিয়মীয়া হোৱা নাই। বৰ্ত্তমানে ৪০/৫০ মাহ পৰ্য্যন্ত পঞ্চায়ত কৰ্ম্মীয়ে প্ৰাপ্য দৰমহা পোৱা নাই। আজি পৰ্য্যন্ত পঞ্চায়ত কৰ্ম্মচাৰী সকলক চৰকাৰীকৰণ কৰা নহল। পঞ্চায়ত বিভাগত কৰ্ম্মচাৰীৰ কোনো ভবিষ্যত আৰু পদোন্নতিৰ ব্যৱস্থা নাই। ইয়াৰ কৰ্ম্মচাৰী সকলৰ ভবিষ্যত নিধিও বহু বছৰ জমা হোৱা নাই। পঞ্চায়ত কৰ্ম্মচাৰীসকলৰ চাকৰি পশ্চিমবংগ, ত্ৰিপুৰা, গুজৰাট, অন্ধ্ৰপ্ৰদেশ আদি ৰাজ্যত চৰকাৰীকৰণ কৰিবৰ কেইবা বছৰো হ'ল। পশ্চিমবংগৰ পঞ্চায়ত কৰ্ম্মচাৰীসকলে উচ্চতম ন্যায়ালয়ত তৰা গোচৰত উক্ত ন্যায়ালয়ে ন্যায়াধীশ ওৱাই, বি, চন্দ্ৰচুড়ক লৈ গঠিত আদালতে গ্ৰাম্য অঞ্চলত সেৱা কৰা প্ৰতিজন কৰ্ম্মচাৰী চাকৰি ৰাজ্য চৰকাৰৰ চিভিল চাৰ্ভিচৰ কৰ্ম্ম'চাৰীৰ সম পৰ্য্যায়ৰ বুলি ৰায় দান দিয়াটো তাৎপৰ্য্যপূৰ্ণ। অসমৰ পঞ্চায়তৰ পুঁজি টনকিয়াল নহয় হেতুকে কৰ্ম্মচাৰীয়ে দৰমহা পোৱা নাই বুলি ৰাজ্য চৰকাৰে পূৰ্ব্বতে ঘোষনা কৰিছে। উল্লেখ যোগ্যযে পঞ্চায়ত কৰ্ম্মচাৰী সকলে ৰাইজৰ বাহিৰৰ দৃষ্টিত চাকৰিয়াল হিচাবে পৰিগনিত হৈও আইনৰ কৱলত পৰি দীৰ্ঘদিন ধৰি অনাহাৰে থাকি শেষত ডিভিত চিপজৰী লৈও যন্ত্ৰনাৰ পৰা মুক্তিলাভ কৰা বাস্তৱ উদাহৰণ আছে। ৰানীগঞ্জ গাওঁ পঞ্চায়তৰ কৰ্ম্মী দেৱৰ বৰ্মণ, বড়িগোগ গাওঁ পঞ্চায়তৰ কৰ্ম্মী এজনে পঞ্চায়তেত চিপজৰী লগাই আত্মহত্যা কৰাৰ বিষয়ে ৰাইজৰ অবিদিত নহয়। গোৱালপাৰা জিলাতো তেনে ঘটনা ঘটিছে। পঞ্চায়ত কৰ্ম্মী হিচাবে প্ৰাপ্য দৰমহা নাপাই অনাহাৰত মৃত্যুক সাৰতি লোৱা নলবাৰী জিলাৰ পঞ্চায়ত কৰ্ম্মচাৰী সকল হল লংকেশ্ব কলিতা, ডিম্বেশ্বৰ বৰা, গজেন শৰ্মা, দেবেন তালুকদাৰ, সুৰেণ ডেকা আৰু কেইবাজনো। উক্ত জিলাৰ বহুত পঞ্চায়ত কৰ্ম্মীয়ে ৪০/৪৫ মাহ পৰ্য্যন্ত প্ৰাপ্য দৰমহা নাপাই লঘোনে থাকি নানান ৰোগত ভুগি আছে। ৰাজ্যৰ পঞ্চায়ত কৰ্ম্মচাৰী সকলৰ মূলদাবীবোৰ হল কৰ্ম্মী সকলৰ বকেয়া বেতন আদায় দিয়া চাকৰি চৰকাৰীকৰণ কৰা ইত্যাদি। ৰাজ্য চৰকাৰে যদি পঞ্চায়ত কৰ্ম্মীৰ প্ৰাপ্য দাবী মানি লব নোৱাৰে তেন্তে

পঞ্চায়তক বিদায় দিয়াহে উচিত। অন্যথাই পঞ্চায়ত কৰ্মীৰ পৰিয়ালক লঘোনে ৰখাৰ কোনো অৰ্থ নাই বুলি সচেতন মহলে অনুভৱ কৰিছে। বৰ্ত্তমানে ৰাজ্যত থকা প্ৰায় ৪৬০০ জন মান পঞ্চায়ত কৰ্মীক অনাহাৰৰ পৰা উদ্ধাৰৰ দাবীত আৰু সদৌ অসম পঞ্চায়ত কৰ্মচাৰী সন্থাৰ মূল দাবী চনদৰ ভিত্তিত অহা ২৫ মেৰ পৰা মহকুমা পৰিষদ, খণ্ড উন্নয়ন কাৰ্য্যালয় আৰু গাওঁ পঞ্চায়তৰ কাৰ্য্যালয়ত পঞ্চায়ত কৰ্মচাৰী সন্থাই অনিৰ্দ্দিষ্ট কালৰ বাবে পিকেটিং আৰম্ভ কৰিব।

শ্ৰীদীনবন্ধু চৌধুৰী: মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়তৰ মন্ত্ৰী মহোদয়ে পঞ্চায়তৰ শিতানত যি দাবী মঞ্জুৰী বিচাৰিছে তাৰ প্ৰতি মই সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাৱ আগবঢ়াইছে তাক মই বিৰোধীতা কৰিছো। এই ক্ষেত্ৰত মই কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, ইতিপূৰ্বে যিসকল মাননীয় সদস্যই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি বক্তব্য ৰাখিছে তেখেতসকলে এতিয়ালৈকে পঞ্চায়ত নিৰ্ব্বাচন নপতাৰ কথাৰ বিষয়ে উল্লেখ কৰিছে। পঞ্চায়ত যে কাৰ্য্যক্ষম কৰিব পৰা নাই সেই সম্পৰ্কে বক্তব্য ৰাখিছে। এই মৰ্মে মই কব বিচাৰিছো যে পঞ্চায়ত সমূহ অসমত নাইকিয়া হৈ থকা অৱস্থাটো বৰ্ত্তমান চৰকাৰৰ পূৰ্ব্বেই হৈ আছে। এই চৰকাৰ অহাৰ পিচতেই আমি ঘোষণা কৰিছিলো যে গণতন্ত্ৰ পুনৰ প্ৰতিষ্ঠা কৰাটো এই চৰকাৰে যৎপৰোনাস্তি চেষ্টা কৰিব। আৰু সেইটো লক্ষ্য ৰাখিয়েই পঞ্চায়তীৰাজ ব্যৱস্থা পুনৰ প্ৰৱৰ্ত্তন কৰাৰ কাৰণে এই বিধান সভাত বিল পাচ কৰা হৈছিল। আৰু ই শেষত আইনলৈ ৰূপান্তৰিত হৈছে। কিন্তু দূৰ্ভাগ্যৰ কথা যে এই প্ৰচেষ্টা কাৰ্য্যকৰী কৰাটো (কোৰাম নাই)

মাননীয় উপাধ্যক্ষ মহোদয়, আইন বিধান অনুসৰি তিনি খলপীয়া পঞ্চায়তী ব্যৱস্থা প্ৰৱৰ্ত্তন কৰি নিৰ্ব্বাচন অনুষ্ঠিত কৰিবলৈ যিটো ব্যৱস্থা কৰা হৈছে ইয়াত পৰোক্ষ ভাৱে বাধা আৰোপ কৰা হৈছে— সেইটো সকলোৱে জানে। অসম আন্দোলনৰ পিচত যি খন চুক্তি স্বাক্ষৰিত

হৈছিল তাত ১৯৬৬ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত প্ৰস্তুত কৰা তালিকা অনুসৰি অসমত নিৰ্ব্বাচন হ'ব লাগে বুলি উল্লেখ আছে। পঞ্চায়ত আইনৰ বিধান অনুসৰি বিধান সভা বা পাৰ্লিয়ামেণ্টৰ কাৰণে যিখন ভোটাৰ তালিকা প্ৰস্তুত কৰা হয় সেইখন ভোটাৰ তালিকাই পঞ্চায়তৰ কাৰণে প্ৰযোজ্য হ'ব। পঞ্চায়ত নিৰ্ব্বাচনৰ কাৰণে বেলেগে ভোটাৰ তালিকা প্ৰস্তুত কৰা নহয়। এতিয়া ১৯৬৬ চনৰ ভিত্তিত ভোটাৰ তালিকা প্ৰস্তুত কৰা সম্পৰ্কে ভাৰত চৰকাৰৰ পৰা কোনো প্ৰয়োজনীয় নিৰ্দ্দেশ অহা নাই। এই সম্পৰ্কে কোনো সিদ্ধান্ত লোৱা নাই কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক বিষয়টোৰ ওপৰত হেচা প্ৰয়োগ কৰি আছে। ইতিমধ্যে অসম চৰকাৰৰ হেচাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰৰ পৰা ভোটাৰ তালিকা সম্পৰ্কে কিছু নিৰ্দ্দেশ আদি আহিছে যদিও আমাৰ কাৰণে, অসমৰ জনসাধাৰণৰ কাৰণে ই গ্ৰহণযোগ্য নহয়। ৰাইজে ইয়াৰ বিৰুদ্ধে আপত্তি দৰ্শাইছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে সংবিধান সংশোধনী ঘটাই ভোটাধিকাৰৰ বয়স ১৮ বছৰলৈ কমাই দিয়াত, পঞ্চায়ত নিৰ্ব্বাচন অনুষ্ঠিত কৰাতো সম্ভৱ হৈ উঠা নাই। ইয়াতো বিতং সংশোধনীৰ প্ৰয়োজন হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে পঞ্চায়তী ৰাজ ৩ খলপীয়া কৰি যিটো সংশোধনীৰ ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ যুক্তিত তেখেতে কৈছে যে ভাৰতৰ জনসাধাৰণক উন্নয়ন প্ৰক্ৰিয়াত জৰিত কৰিবলৈ এইটো ব্যৱস্থা নিতান্ত প্ৰয়োজন হোৱা বুলি। কিন্তু উপাধ্যক্ষ মহোদয়, এই কথাটো আমি বহুত আগতেই অনুভৱ কৰিছিলো আৰু সেয়ে ১৯৮৬ চনতে ৩ খলপীয়া পঞ্চায়তী ৰাজ ব্যৱস্থা প্ৰৱৰ্ত্তনৰ বাবে আইন কৰা হৈছিল। কিন্তু আজি ৬৪ তম যিটো সংবিধান সংশোধনী প্ৰস্তাৱ অনা হৈছে এইটো ভাৰত চৰকাৰৰ এক ৰাজনৈতিক ষড়যন্ত্ৰ বুলিহে কব লাগিব। এই ষড়যন্ত্ৰৰ জৰিয়তে ভাৰতৰ জনসাধাৰণক পঙ্গু কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ দ্বাৰা জনসাধাৰণৰ কোনো লাভ নহ'ব। ভাৰতবৰ্ষ স্বাধীনতা লাভ কৰাৰ পিচত আজি কিমানটা ৫ বছৰীয়া পৰিকল্পনা পাৰ হৈ গ'ল জনসাধাৰণৰ মূৰৰ ওপৰেদি—কিন্তু ইয়াৰ দ্বাৰা দুখীয়া জনসাধাৰণ

আৰু তুখীয়া হৈছে গৈছে। আজি যদি গণতন্ত্ৰত ৰাইজেই ৰজা বুলি কোৱা হয় তেন্তে ৰাইজ ৰজাৰ ওচৰলৈ যাব নোৱাৰে কিয়? বা এতিয়া ৰজা জনসাধাৰণৰ ওচৰলৈ যাবলৈ বিচাৰিছে কিয়? আজি ইয়াৰ দ্বাৰা ক্ষমতা বিকেন্দ্ৰীকৃত কৰা হোৱা নাই বৰঞ্চ একীভূত কৰাহে হৈছে। ৩ খলপীয়া পঞ্চায়তী ৰাজ ব্যৱস্থাত ইয়াৰ হিচাবৰ দায়িত্ব দিয়া হৈছে অডিটৰ জেনেৰেলক। নিৰ্ব্বাচন তদাৰক আৰু পৰিচালনা কৰিব নিৰ্ব্বাচনী আয়োগে। ধন আবণ্টনৰ বাবে বিত্ত আয়োগ থাকিব। ইয়াৰ দ্বাৰা সকলো ক্ষমতা কেন্দ্ৰৰ হাতলৈ গৈছে— ই এক নিসন্দেহে ষড়যন্ত্ৰ।

**Shri Ardhendu Kr. Dey :** Point of order. The matter has been placed in the Parliament. Until and unless it has come to this House, we cannot discuss it.

**Mr. Dy. Speaker :** He can.

**Shri Hemen Das :** I have already discussed it.

শ্ৰীদেবেশ্বৰ বৰা: উপাধ্যক্ষ মহোদয়, এইটো বিষয়ত ভাৰতৰ সকলো ৰাইজে আলোচনা কৰিব পাৰে।

**Shri Santi Ranjan Das Gupta :** The matter is before the Parliament. At this stage, we cannot discuss it.

**Shri Ardhendu Kr. Dey :** This is a point of order.

শ্ৰীদীন বন্ধু চৌধুৰী: মাননীয় উপাধ্যক্ষ মহোদয়, এইটো হৈছে ক্ষমতা কেন্দ্ৰীভূত কৰি একীকৃত কৰাৰ ব্যৱস্থা। জনসাধাৰণৰ কাৰণে ক্ষমতা বিকেন্দ্ৰীকৃত ব্যৱস্থা নহয়। জনসাধাৰণক দেশৰ উন্নয়ন প্ৰক্ৰিয়াত জৰিত কৰি দেশৰ উন্নতি সাধন কৰাৰ ব্যৱস্থা ই নহয়। এইটো উদ্দেশ্য কেন্দ্ৰীয় চৰকাৰৰ থকা হলে সংবিধান প্ৰনয়ন কৰোতেই পঞ্চায়ত ৰাজৰ ওপৰত গুৰুত্ব দিলেহেতেন। কিন্তু সংবিধান পোনতে প্ৰস্তুত কৰোতে পঞ্চায়তী ৰাজৰ নাম গোন্ধেই নাছিল। সংবিধান প্ৰনয়ন সম্পৰ্কে যেতিয়া ২য় বৈঠক ১৯৪৮ চনৰ ৪–৯ নৱেম্বৰলৈ অনুষ্ঠিত হৈছিল তেতিয়া

এই পঞ্চায়তৰ কথাও উল্লেখ নথকাত ভাৰতৰ নেতা সকল গৰজি উঠিছিল। সংবিধানৰ ৰচক সকলে ৰাজনৈতিক দৃষ্টিভঙ্গীৰ প্ৰতিহে চকু দিছিল, জনসাধাৰণৰ কথা কমকৈ ভাবিছিল। আজি ১৯৮৯ চনত কেন্দ্ৰীয় চৰকাৰে জনসাধাৰণৰ কথা ভাবিবলৈ সময় পাইছে। তেওঁলোকে ইমানদিনে কি কৰিছিল ? মই এই সম্পৰ্কে এটা উক্তি উল্লেখ কৰো তেতিয়াই আপোনালোকে বুজি পাব।

মাননীয় উপাধ্যক্ষ মহোদয়, এইছ, ভি, কামাঠে উক্ত সভাত কৈছিল।

[ "On one thing I join issue with Dr. Ambedkar. He was pleased to refer to the villages—I am quoting from a press report in the absence of the official copy – as 'sinks of localism and dens of ignorance, norrow-mindedness and communalism'; and he also laid at the door of a certain Metcalfe our 'pathetic faith' in village communities. I may say that it is not owing to Metcalfe but owing to a far greater man who has liberated us in recent times, our Master and the Father of our nation, that this love of ours for the villages has grown, our faith in the village republics and our rural communities has grown and we have cherished it with all our heart. It is due to Mahatma Gandhi ..... that we have come to love our village folk. With all deference to Dr. Ambedkar, I differ from him in this regard. His attitude yesterday was typical of the urban high Bureaucrat and if that is going to be our attitude towards the village folk, then 'God save us." ]

এইটো ডঃ আম্বেদকাৰে মন্তব্যক প্ৰতিফল আছিল। সংবিধানত কিয় পঞ্চায়তৰ উল্লেখ নকৰিলে ? ডঃ আম্বেদকাৰে কৈছিল,

[ "Such is the part the village communities have played in the history of their country. Knowing this, what pride can one feel in them. That they have survived through all vicissitudes may be fact. But more survival has no value. The question is on what plane they have survived. Surely on a low, on a selfish level. I hold that these village republics have been the ruination of india. I am, therefore, surprised that those who condemn provincialism and communalism should come forward cn champions of the village. What is the village but a sink of localism, and dens of ignorance, narrow-mindedness and communalism ? I am glad that the Draft Constitution has discarded the village and adopted the Draff as its unit."]

মাননীয় উপাধ্যক্ষ মহোদয়, তেজৰ বিনিময়ত লাভ কৰা স্বাধীনতাৰ পিছত আমাৰ নেতা সকলৰ আমাৰ জনসাধাৰণৰ প্ৰতি দৃষ্টি ভঙ্গী আছিল এইটোৱেই যাৰ কাৰণে সংবিধানত পঞ্চায়তী ৰাজৰ ব্যৱস্থাৰ কথা উল্লেখ কৰা নাছিল। সংবিধানৰ খচৰাৰ দ্বিতীয় খন মিটিঙত গোটেই খন উত্থাপন হৈছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ বক্তব্য সম্পূৰ্ণ কৰিবলৈ দিয়ক, এইটো দুৰ্ভাগ্যৰ কথা। আজি ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰীয়ে কৈছে যে, জনসাধাৰণক ক্ষমতা দিবৰ কাৰণে আৰু জনসাধাৰণক উন্নয়ণ প্ৰক্ৰিয়াৰ লগত জড়িত কৰিবৰ কাৰণেই সংবিধান সংশোধন কৰিবলৈ ওলাইছে। ক'ত গৈছিল সেই সময়ৰ আমাৰ নেতা সকল ? 'সান্দহ খোৱা বালি তল যায়' বুলি আমাৰ কথা এষাৰ আছে। আজি ইমান বছৰে এই জনসাধাৰণক এই বিলাকৰ পৰা আতৰাই ৰাখিলে। কিমান দিন আৰু

আমাৰ জনসাধাৰণক শোষন কৰিব ? ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন আকৌ কৰিব লাগিব আমি। এটা বিলাতী পৰিয়ালৰ পৰা এটা ভাৰতীয় পৰিয়াললৈ দেশ খন হস্তান্তৰিত কৰিবৰ কাৰণেই আমি স্বাধীনতা আন্দোলন কৰিছিলোনেকি ? আজি ভাৰতবৰ্ষত গণতন্ত্ৰ চলিছেনে পৰিয়াল তন্ত্ৰ চলিছে ? এইটোৱেই হৈছে আজি ভাৰতবৰ্ষৰ গণতন্ত্ৰৰ নমুনা। মাননীয় উপাধ্যক্ষ মহোদয়, মোক আৰু এটা 'কূটেশ্বন' শেষ কৰিবলৈ দিয়ক। মাননীয় উপাধ্যক্ষ মহোদয়, দামোদৰ চেঠে এই কথাটো কৈছিল,

[ "I want to ask whether there is any mention of village and any place for them in the structure of this great Constitution No, nowhere. The Constitution of a free country should be based on 'local self-government'. We see nothing of local self-government anywhere in this Constitution. This Constitution as a whole, instead of being evolved from our life and reared from the bottom upwards is being imported from outside and built from above downwards. A Constitution which is not based on units and in the making of which they have no voice, in which there is not even a mention of thousands and lakhs of villages of India and in framing which they have had no hand —well you can give such a Constitution to the country but I very much doubt whether you would be able to keep it for long."

ইয়েই স্পষ্ট ভাবে প্ৰমাণ কৰে যে, উদ্দেশ্য প্ৰণোদিত ভাবেই জনসাধাৰণক স্বাধীনতাৰ ফল ভোগ কৰিবলৈ দিয়া হোৱা নাছিল। আজি যি ৬৪ তম সংবিধান সংশোধনী আহিছে সেইটোও ক্ষমতা বিকেন্দ্ৰীকৰণ কৰিবলৈ নহয়, কেন্দ্ৰীয় চৰকাৰৰ হাতত ক্ষমতা কেন্দ্ৰীভূত কৰিবৰ কাৰণেহে। এই অপ চেষ্টাকেই আজি কেন্দ্ৰীয় চৰকাৰে ৬৪ তম সংবিধান

সংশোধনীৰ জৰিয়তে কৰিবলৈ প্ৰয়াস কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, জনসাধাৰণৰ হাতত অধিক ক্ষমতা দিবলৈ হলে বা দেশৰ উন্নয়ণ প্ৰক্ৰিয়াত জনসাধাৰণক জড়িত কৰিবৰ কাৰণে তিনি খলপীয়া পঞ্চায়তী ব্যৱস্থা আমি প্ৰৱৰ্ত্তন কৰিব লাগিব আৰু এইটো আমি অধিক শক্তিশালী কৰিব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰক্ৰিয়া আৰম্ভ কৰাৰ কাৰণে আমাৰ ফালৰ পৰা অকণো যত্নৰ ত্ৰুটি কৰা নাই। সেয়ে কৈছো, যে, যদি কেন্দ্ৰীয় চৰকাৰৰ সচাঁ কৈয়ে জনসাধাৰণৰ প্ৰতি আন্তৰিকতা আছে তেতিয়াহলে, অনতিপলমেই এই ক্ষেত্ৰত থকা সকলো বিলাক প্ৰতিবন্ধকতা আতৰাই সোনকালেই নিৰ্ব্বাচন পাতি পঞ্চায়তী ৰাজ প্ৰৱৰ্ত্তন কৰি জনসাধাৰণক ৰাষ্ট্ৰৰ উন্নয়ণ প্ৰক্ৰিয়াৰ লগত জড়িত কৰি ক্ষমতা বিকেন্দ্ৰীকৃত কৰি আচল ক্ষমতা জনসাধাৰণৰ হাতত ন্যস্ত কৰিব লাগে।

(ভইচ্ কোনে কৰিব ?)

চৰকাৰেই এইটো কৰিব লাগিব। কিন্তু যেতিয়ালৈকে নিৰ্ব্বাচন পাতিব পৰা নহয়, যেতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত সহায় নকৰে তেতিয়ালৈকে এইটো সম্ভৱ পৰ নহব। দাবী মঞ্জুৰী সম্পৰ্কে মই ক'ব খুজিছো যে কিছুমান এনেকুৱা কাম আছে যি বিলাক কাম কৰিবলৈ গড়কাপ্তানী আদি বিভাগৰ কোনো এক্তিয়াৰ নাই, যি বিলাক আঁনি গ্ৰাম্য উন্নয়ণ বিভাগৰ তলতো নপৰে যেনে, এন, আৰ, ই, পি, আৰ, এল, ই, জি, পি ইত্যাদি বিলাক, সেই বিলাক কাম কৰিবলৈ পঞ্চায়তত ব্যৱস্থা থাকিব লাগিব। শেতিকে এইখিনিকে কৈ মই মঞ্জুৰীটোৰ পুনৰ সমৰ্থন জনাই বক্তব্য ইমানতে সামৰণি মাৰিছো। ধন্যবাদ।

**Shri Abdul Muqtadir Chaudhury :** Mr. Deputy Speaker, Sir, while supporting the cut motion I like to make a few observations I will say only a few words because it is useless to say anything about this Department. This Department has decided not to pay

any heed to any suggestion or any criticisms. Sir, there are two Acts in Assam. One is Assam Panchayati Raj Act, 1972 and another is Assam Panchayati Raj Act, 1986. The ASSAM PANCHAYATI RAJ ACT, 1972 provides for two-tier system of Panchayats and the new Assam Panchayati Raj Act, 1986 provides for 3-tier system of Panchayats.

Sir, this is a new Act, and this Act of the Assam Legislative Assembly received the assent of the President of India in the year 1986. But sir, this Act has been kept under cold-storage for the last $2\frac{1}{2}$ years. This is a constitutional obligation and there is no such precedence that an Act after receiving the assent of the President of India can be kept under cold-storage without giving any effect. So far as my information goes, opinion of the Minister, incharge of Parliamentary Affairs and law, was sought and the Hon'ble Minister accordingly opined in the file that this should be given effect to immediately. But, sir, even after the lapse of 6 months, Government is silent and sleeping over the matter. This is a constitutional obligation but the Government is not going to meet the obligation. One can easily understand the intention of the Government. Sir, the intention of the Government is not to give effect of the Act. Sir, the Chief Whip of the A.G.P. party has stated many beautiful words. But, sir, what is the intention of the Government ? I want a categorical answer ? I want to know whether Government will give effect of this Act, new Panchayat Raj Act

1986 ? Sir, the A. G. P. party Government after assuming power declared among other things that they will provide a clean administration and that the democratic-local-self-Government-Institution will be allowed to function democratically. Sir, committees have been constituted in district and sub-divisional levels with D. Cs/S. D. Os, Local M. L. As and other non-officials for the purpose of preparation of delimitation of the G. Ps. Committees both in the district and sub-divisional levels sat several times and took so much pains and times for preparing the delimitation process inviting necessary claims and objections. But, Sir, Government have passed $2\frac{1}{2}$ years but nothing has been finalised as yet. Why the delimitation 7 G. P. have not yet been notified inviting claims and objections ? Why the committees have been constituted both at the district and sub-divisional levels when Government has not yet decided to finalise the delimitation process ? I do not understand what is the intention of the Government ? Government may hold the election or may not hold the election that is a different matter. But what is the harm to finalise the delimitation process when Government have invited the same after constituting District and Sub-divisional level-committees ? Sir, there was a proposal that during the 7th plan period 252 Blocks would be created. The Government have created 10 Development Blocks in 1987, and in the notification it has been stated that the boundaries of the Block

and the contituent Goan panchayats will be notified later on. This notification was made on 2nd November, 1987. After this notification, no further notification has been issued showing the boundaries of those 10 Blocks. Now, Sir, Government have come up with another notification on 18th May, 1989, declaring creation of 27 Blocks, having 6 Blocks in Nowgong District. Sir, we know it well that Nowgong will get the lion's share as things are done on political consideration. But we want to know what about the 27 Blocks ? What the Department is doing in this respect ? Then, Sir, with regard to RLEGP, I would like to state that RLEGP allocation were made on blocks basis and hot on population basis though it has been discontinued since 1989-90. Other States are receiving huge amount of money under RLEGP schemes but we are not receiving more allocation as our number 7 blocks remains same as before. Then, Sir, with regard to the holding of the election "less said is better". Sir, here in the floor of the House, the then Minister-incharge of Panchayat, Hon'ble Shri Chandra Arandhara, had declared that election of Panchayats will be held by May, 1987. This is in the proceedings of the House. But what has happened about his declaration of holding the election ? Sir, we know that this Government will not hold the election ? But what is the difficulty in advancing the process of delimitation process and creation of new blocks. Sir, it is learnt

that Government is trying to have all the G.Ps as 'ad-hocs'. Sir, I want to know whether there is any such provision in the Act ? So far I know, Sir, there is no provision for adhocism. But if they want to do it, they may do so in the panchayat Raj Act 1912 or 1986. Sir, the way the department is functioning now is very miserable. It is a sorrowful state of affairs. Sir, in the name of distribution of commercial items, in the name of adult education, in the name of construction of roads and culverts etc, grants are given everywhere without having the utilisation certificates. The department should have made proper assessment of works before giving grants.

Actually huge amount of money is being spent but it is sheer wastage. For S.N.P programme lakhs and lakhs of rupees are being spent but how the staff are working is better known to the department. The STATFED is there, their services may be utilised for the purpose but the department is not involving anybody. Local people are there, local committee is there—they should be involved in the programme to see distribution, but nothing is being done.

Sir, in blocks there are two BDOs, of course, provision has been made for two BDOs, one Senior BDO for looking after the DRDA and one BDO to look after CD works. It is not a bad system, it may be introduced properly. There are huge volume of works in the block and so CD work should be done

by one BDO and the Senior BDO should look after the DRDA, work such as, RLEGP, NREP and other works because now-a-days the work-load has increased considerably. For smooth running of the blocks, there should be more blocks and the suggestion that there should be 252 blocks in Assam, should be implemented in phase manner but taking into consideration the population of the district and whether it is necessary.

With these few observations and supporting the cut motion I would like to conclude Sir.

Mr. Deputy Speaker : Shri Thaneswar Boro (absent)
Shri Kusumbar Tairai Gogoi (absent)
Shri Abdul Rob Laskar (absent)
Shri Masiruddin Seikh (absent)
Shri Maqbul Hussain

শ্ৰীমকবুল হুচেইন : মাননীয় উপাধ্যক্ষ মহাশয়, মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি কব বিচাৰিছো যে এই সদনত এ-জি-পি চৰকাৰ হোৱাৰ-পিচত আমি এই পঞ্চায়তৰ দিশত কিছুমান কথা জানিবলৈ পাই বৰ আনন্দ পাইছিলো কাৰণ পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে এই সদনত প্ৰকাশ কৰিছিল যে পঞ্চায়ত সম্পাদক সকলৰ দৰমহা চৰকাৰীকৰণ কৰা হব আৰু বাকী বিলাক কৰ্ম্মচাৰীৰো বিষয় চিন্তা কৰা হৈ আছে লগতে এই কথাও ঘোষণা কৰিছিল যে মে মাহৰ ভিতৰত পঞ্চায়তৰ নিৰ্ব্বাচন অনুষ্ঠিত হব। সেয়ে আমি তেখেতৰ এনে ধৰণৰ কাৰ্য্য পদ্ধতিত আনন্দিত হৈছিলো আৰু আশা কৰিছিলো যে পঞ্চায়তে ভাল ৰূপ ধাৰণ কৰিব। কিন্তু পঞ্চায়তৰ কৰ্ম্মচাৰী সকলৰ দৰমহাৰ বিষয়ে তেখেতক প্ৰশ্ন কৰাত

কৈছিল যে আগৰ চল্লিশ বছৰৰ পৰা দৰমহা বাকী আছে সেই বিলাকৰ উত্তৰ তেখেতে দিব নোৱাৰে কিন্তু এজিপি চৰকাৰৰ দিনৰ কথাহে সুধিব পাৰে বুলি কৈছিল যদিও আজি কিন্তু পঞ্চায়তৰ দুভাৰ্গ্যজনক ছবিহে দেখা পাইছো। কিয়নো এই চৰকাৰ হোৱাৰ পিচতো সেই কৰ্ম্মচাৰী সকলে দৰমহাৰ কথা চিন্তা কৰিবলগীয়া হৈছে কিন্তু চৰকাৰে সামান্য কণো চিন্তা কৰা পৰিলক্ষিত হোৱা নাই। ইয়াৰ পৰিণতি স্বৰূপে মাননীয় সদস্য শ্ৰীআমিনুল ইচলাম ডাঙৰীয়াই ৰাণীগঞ্জ পঞ্চায়তৰ দেবাক বৰ্ম্মণ নামৰ লোকজনে আৰ্থিক সংকটৰ মকাবিলা কৰিব নোৱাৰি ডিঙিত ছিপজৰি লগাই আত্মহত্যা কৰা আৰু কোকৰাঝাৰ জিলাৰ বংচাইথাম পঞ্চায়তত পিয়ন এজনে চীপজৰী লগাই মৃত্যু বৰণ কৰা কথা উল্লেখ কৰিছোঁ। মই ভাবো অসমত এনে ধৰণৰ ঘটনা বহুত হৈছে গতিকে আজি যদিও গান্ধীবাদিৰ ওপৰত দোহাই দি চৰকাৰে কাম কৰিবলৈ বিচাৰে কিন্তু আচলতে গান্ধীবাদ কিঞ্চিৎ ভাৱেও পালন কৰা নাই। পঞ্চায়তৰ ক্ষেত্ৰত নিৰ্ব্বাচন পতা নাই। ইয়াৰ দ্বাৰা প্ৰকৃত গণতন্ত্ৰক বিসৰ্জন দিয়া হৈছে। গণতন্ত্ৰৰ ভিত্তিত কাম কাজ চলোৱাৰ কাৰণে কৰা ব্যৱস্থাক সমূলি আওকাণ কৰা হৈছে। ইয়াতকৈ দূৰ্ভাগ্যজনক আন একোৱেই হব নোৱাৰে। কাৰণ এই চৰকাৰে বিকেন্দ্ৰীকৰণ কৰাৰ কাৰণে আচনি লৈছে আৰু কেন্দ্ৰৰ পৰাও চৰকাৰী ক্ষমতা সমূহ বিকেন্দ্ৰীকৰণ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে যদিও পঞ্চায়তৰ ওপৰত কোনো গুৰুত্ব নিদিয়াকৈ কেনে ধৰণৰ বিকেন্দ্ৰীকৰণ কৰিবলৈ বিচৰা হৈছে আমি বুজি নাপাওঁ। ই বিকেন্দ্ৰীকৰণৰ নামত ভেকোভাওনাহে মাথোন বুলি ভাবিবলৈ বাধ্য হৈছো। তাতকৈও ডাঙৰ কথা হৈছে এই চৰকাৰৰ একপক্ষীয় আৰু বৈষম্য মূলক শাসনপদ্ধতিৰ দ্বাৰা এক বিশেষ শ্ৰেণীৰ লোকক সুবিধা দিয়াৰ কাৰণে বিশেষ চৰম সীমাত উপনীত হৈছে। তাৰ মূল নিদৰ্শন হৈছে পঞ্চায়ত সমূহ আৰু এই পঞ্চায়ত সমূহৰ তদৰ্থ সমিতিসমূহ। তাতকৈও আচৰিত কথা এই তদৰ্থ সমিতিৰ কাৰণে মনোনীত কৰি দিয়া প্ৰতিনিধি সকল। এনেধৰণৰ কিছুমান লোকক এই পঞ্চায়ত সমূহৰ প্ৰতিনিধিত্ব কৰিবলৈ দিয়া হৈছে যি সকল লোক সামাজিক দৃষ্টিত

একেবাৰে অবাঞ্চিত। তেনে ধৰণৰ একপক্ষীয় আৰু বৈষম্য মূলক কাৰ্য্য কলাপৰ কাৰণে ৰাইজ অতীষ্ঠ হৈছে। যি বিলাকত শতকৰা ৯৫ জন ভাষিক বা ধৰ্ম্মীয় সংখ্যালঘু লোক আছে সেইখিনিতো এনেকুৱা কিছুমান অ-মুছলমান লোকৰ দ্বাৰা পঞ্চায়তত প্ৰতিনিধিত্ব কৰিবলৈ দিয়া হৈছে য'ত নিৰ্ব্বাচন অনুষ্ঠিত হোৱাহেতেন তেন্তে ভাষিক বা ধৰ্ম্মীয় সংখ্যালঘু লোকেহে প্ৰতিনিধিত্ব কৰিবলৈ সুবিধা পালেহেতেন। কেৱল চৰকাৰী পক্ষৰ লোককহে প্ৰতিনিধিত্ব কৰিবলৈ দিয়া হৈছে। উদাহৰণস্বৰূপে মাননীয় সদস্য শ্ৰীগণেশ বড়ো ডাঙৰীয়াই কোকৰাঝাৰ মহকুমা পৰিষদৰ কথা উল্লেখ কৰিছে। য'ত নিৰ্ব্বাচন অনুষ্ঠিত কৰাহেতেন বড়ো সম্প্ৰদায়ৰ বা জনজাতীয় লোক এজনহে নিৰ্ব্বাচিত হোৱাৰ আশা আছিল কিন্তু তাৰ ঠাইত চৰকাৰী ভাৱে মনোনীতলোকক দিয়া কাৰণে তদৰ্থ কাউন্সিলত অজনজাতীয় লোকক প্ৰতিনিধিত্ব কৰিবলৈ দিয়া হৈছে। ঠিক তেনেকৈ মোৰ সমষ্টিৰ জপেয়া পঞ্চায়তত শতকৰা ৯৫ জনতো বেছি মুছলমানলোক থকা গাঃপঃত এজন অমুছলমান লোকক প্ৰতিনিধিত্ব কৰিবলৈ দিয়া হৈছে। চৰকাৰে বহল চিন্তাধাৰাৰে সকলো কাম কাজ কৰা বুলি ঘোষণা কৰিছে যদিও ইয়াত কিন্তু তেনে দৃষ্টিভঙ্গী দেখুৱাব পৰা নাই। ইয়াৰ দ্বাৰা এনেকুৱা কিছুমান কৌশল প্ৰয়োগ কৰা হৈছে যাৰ দ্বাৰা এক বিশেষ শ্ৰেণীৰ লোকক বঞ্চিত কৰা হৈছে আৰু শোষণ কৰা হৈছে। ইয়াৰ ফলশ্ৰুতি হিচাবে বিভিন্ন শ্ৰেণীৰ সংগঠন সমূহে আন্দোলন কৰিবলৈ ওলাই আহিছে আৰু আজি চৰম সীমাত উপনীত হৈছে। ইয়াৰ মূল কাৰণ হৈছে এই চৰকাৰৰ বৈষম্য মূলক আৰু একপক্ষীয় শাসনপদ্ধতি। শাসন কৰিবলৈ যাওঁতে যদি ধৰ্ম্ম ভাষা জাতি নিৰ্ব্বিশেষে যদি প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ দিয়া নহয় তেনেহলে মাত্ৰ শাসক গোষ্ঠীৰ বিলাকৰ কথাই চিন্তা কৰিলে বিভিন্ন শ্ৰেণীৰ লোক সকল ক্ষুন্ন হবই তাত আচৰিত হবলগীয়া একো নাথাকে। আজি যেনেকৈ বিভিন্ন সংগঠন সমূহ আন্দোলন কৰিবলৈ ওলাই আহিছে ঠিক তেনেকৈ সংখ্যালঘু শ্ৰেণীৰলোকসকলো আন্দোলনলৈ ওলাই আহিবলৈ বাধ্য হব। চৰকাৰৰ ভুৱা অজুহাতৰ কাৰণে নিৰ্ব্বাচন পাতিব পৰা নাই শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত

কৰিবলৈ নিৰ্ব্বাচন আয়োগৰ প্ৰয়োজন আৰু তেখেতৰ দায়িত্ব এনে বিলাক তুৰা অজুহাত দেখুৱাই ভোটাৰ তালিকা তৈয়াৰ কৰিব পৰা নাই আৰু পঞ্চায়ত নিৰ্ব্বাচন পাতিব পৰা নাই এনে বিলাক কথা কলেই নহয় কিয়নো এই চৰকাৰ অহাৰ পিচত কলিয়াবৰ, নাজিৰা আৰু গোলোকগঞ্জত নিৰ্ব্বাচন অনুষ্ঠিত কৰিছে। তেতিয়া ভোটাৰ লিষ্টৰ শুদ্ধতাৰ কথা উত্থাপিত হোৱা নাছিল। যদি সেই বিলাক সমষ্টিত নিৰ্ব্বাচন হব পাৰিছে তেনেহলে সেই ভোটাৰ তালিকাৰে পঞ্চায়ত নিৰ্ব্বাচন কিয় অনুষ্ঠিত কৰিব নোৱাৰে বুজি নাপাওঁ। এনে বিলাক কথা জনসাধাৰণে নুবুজাকৈ নাথাকে। এইটো প্ৰবঞ্চনাৰ বাহিৰে আন একো নহয়। এই চৰকাৰৰ বৈষম্য মূলক আৰু একপক্ষীয় মনো বিত্তিৰ উদাহৰণ বহুত আছে। নগাওঁ জিলাৰ নেতেৰিবাগ গাওঁ পঞ্চায়তত শতকৰা ৯৫ ভাগ মুছলমান লোক থকা সত্বেও, জুৰিয়া গাওঁ পঞ্চায়তত ৯০ ভাগ মুছলমান লোক থকা সত্বেও, ফাটোৱালগাওঁ, দ-গাওঁ ইত্যাদি ঠাইত শতকৰা বেছিৰ ভাগ সংখ্যালঘুৰ লোক থকাসত্বেও নিৰ্ব্বাচন নাপাতি মুছলমান লোকক প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ নিদি গণতান্ত্ৰিক পদ্ধতি পৰিহাৰ কৰি চৰকাৰে বিশেষ এক শ্ৰেণীৰ লোকক প্ৰতিনিধিত্ব কৰিবলৈ সুবিধা দিছে। মুছলমান সম্প্ৰদায়ৰ বহু লোক এজিপিৰ মেম্বাৰৰ আছে কিন্তু তেওঁবিলাকক প্ৰতিনিহিত্ব কৰিবলৈ সুযোগ দিয়া নাই। এনেদৰে বেছিদিন শোষিত হৈ থাকিলে নিশ্চয় বাচি থকাৰ কাৰণে অস্তিত্ব ৰক্ষাৰ কাৰণে আন্দোলন কৰিবলৈ ওলাই আহিব সেই কাৰণে চৰকাৰক জাতি ধৰ্ম্ম ভাষা নিৰ্ব্বিশেষে প্ৰতিনিধিত্ব কৰিব পৰাকৈ গণতান্ত্ৰিক পদ্ধতিৰে সুযোগ দিয়াৰ আশা ৰাখি সুস্থিৰ পৰিবেশ সৃষ্টিৰ কাৰণে আহ্বান জনাই মোৰ বক্তব্য সামৰিছো।

শ্ৰীঅমৃত লাল বসুমতাৰী: মাননীয় উপাধ্যক্ষ মহোদয়, গ্ৰেণ্ড নং ৫৬ ৰুৰেল ডেভলপমেণ্টত গাওঁ পঞ্চায়তৰ বিষয়ে এইটোৱেই চৰকাৰৰ শেষ আলোচনা। চেণ্ট্ৰেলত সেইখন পাছ হৈছে। আলোচনা কৰিবলৈ খুউব বেছি ইচ্ছা নাই। মন্ত্ৰী মহোদয়ৰ বোধহয় নিজৰে ইচ্ছা নাই কাৰণ মই দেখিছো আগতে যিজন মন্ত্ৰী আছিলে অলপো প্ৰতিশ্ৰুতি

ৰক্ষা কৰিব নোৱাৰিলে আৰু নতুন মন্ত্ৰীয়ে কিবা প্ৰতিশ্ৰুতি দিলে বোধহয় ৰক্ষা কৰিব নোৱাৰিব বুলি তেখেতেও জানে। গাওঁ পঞ্চায়তৰ নিৰ্ব্বাচন নোহোৱাটো কেৱল গণ পৰিষদৰ কাৰণে নহয় গোটেই অসম চৰকাৰৰ কাৰণে দুৰ্ভাগ্যজনক কথা। যিবিলাক ৰাজ্যত দিয়া হৈছে সকলোতে প্ৰযোজ্য হৈছে। বিশেষকৈ জি, এচ, পিত যিবিলাক টকা দিয়া হৈছে মোৰ বিশ্বাস হৈছে আমাৰ ট্ৰাইবেল এৰিয়াবিলাকত যি চিচটেমত খৰছ কৰিবলৈ দিয়া হৈছিল কি কাৰণত ঘুৰি গৈছে নাজানো। ট্ৰাইবেল এৰিয়া বিলাকত প্ৰতিনিধিত্ব কৰি বিধায়ক হৈ আহিছো। কোনে কি কাম কৰে আমি একো গম নাপাও। গাওঁ উন্নয়নৰ বিষয়ে আলোচনা হয় কিন্তু গাওঁ পঞ্চায়তৰ বিষয়ে আলোচনা নহয়। পঞ্চায়তী-ৰাজ চিচটেমৰ বিষয়ে মহাত্মা গান্ধীয়ে বাৰে বাৰে কৈ ফুৰিছিলে ৰাম ৰাজ্য কল্পনা কৰিবলৈ হলে ভাৰতলৈ স্বৰাজ আনিব লাগিব। তেখেতৰ চিন্তাধাৰাৰ যে মূল্য আছে সেইকাৰণে তেখেতৰ আইদিয়াক অনুসৰণ কৰি বহুতে নেতৃত্ব লৈ আহিছে। কিন্তু বৰ দুখৰ কথা গান্ধীবাদৰ পৰা ফালৰি ক'টি অহা হৈছে। গান্ধীবাদটো এক্সপোৰ্ট কৰিছে নেকি? চীন দেশত লাখ লাখ লোকে আন্দোলন কৰিছে। কতো ৰাস্তাৰ দলং পোৰা নাই। গাড়ী জ্বলোৱা নাই। চৰকাৰৰ সম্পত্তি নষ্ট কৰা নাই। ভাৰত চৰকাৰৰ পৰা কিবা বিচাৰি বিভিন্নজনে আন্দোলন কৰে। এই ক্ষেত্ৰত অসম চৰকাৰ নিমাত। পঞ্চায়ত নিৰ্ব্বাচন আহিব লাগিছিল কিন্তু ভোটাৰ লিষ্ট সম্পূৰ্ণ নোহোৱাটো দুৰ্ভাগ্যজনক কথা। ভোটাৰ লিষ্ট সাধাৰণ নিৰ্ব্বাচনতহে হব লাগে। গাওঁ পঞ্চায়তৰ ক্ষেত্ৰত নতুনকৈ কিয় ভোটাৰ লিষ্ট দৰকাৰ হয় তেতিয়া হলে চাব-চাইড ইলেকচন বুলি কেনেকৈ কোৱা হব। চেণ্ট্ৰেলে পাৱাৰ দিছে কিন্তু চৰকাৰে তাক সত্ ব্যৱহাৰ কৰিব পৰা নাই। ৬৪ সংবিধান সংশোধনী আনিছে ইয়াৰ দ্বাৰা ফলাফল ভাল হব বুলি কব নোৱাৰি কাৰণ ভাৰত চৰকাৰে দিয়া মতে ৰাজ্যিক চৰকাৰে একো কাম কৰিব পৰা নাই। আৰ, এল, জি, পি উঠাই দি জৱাহৰ ৰোজগাৰ আচঁনি কৰি টকা জিলাৰ উপায়ুক্ত, আই, এ, এছ বিষয়া আছে তেখেত সকল চেণ্ট্ৰেলৰ মানুহ। তেখেতসকলে পোনপটিয়াকৈ

যোগাযোগ কৰে। বি, এল, চি, চি,ৰ টকাটো ঘুৰি যোৱা বুলি মই গম পাইছো। গতিকে বি, এল, চি, চিৰত আচঁনিৰ কাম কৰিব পৰা হয় নে নহয় সন্দেহ হৈছে। টকা আহিছে নিশ্চয় জৱাহৰ ৰোজগাৰৰ কামত খটুৱাব সম্ভাৱনা নাই। কাৰণ বাৰিষা আহিছে। এই ধৰণে ৰাইজক প্ৰতিনিধিত্ব কৰিলে ৰাইজ কিমান দিন বাছি থাকিব। গতিকে পঞ্চায়তীৰাজ নিত্যান্তই প্ৰয়োজন। যিয়ে চিন্তা নকৰক কিয় আমাৰ পঞ্চায়তীৰাজটো যাতে বৰ্ত্তি থাকে তাৰ বাবে আমি প্ৰচেষ্টা চলাব লাগিব। আমি চলাই আহিছো আৰু চলাই থাকিম।

গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়তীৰাজ আমাৰ নিতান্তই প্ৰয়োজন। গতিকে ৰাইজৰ মাজত যাতে পঞ্চায়তীৰাজ বৰ্ত্তি থাকে তাৰ বাবে আমি চেষ্টা কৰিব লাগে। কংগ্ৰেছ এচ পাওৱাৰত আহক নাহক সেইটো বেলেগ কথা কিন্তু ৰাইজৰ কাম কৰিবলৈ হলে পাওৱাৰত নাথাকিলেও কৰিব পাৰি। আমি যোৰহাটতো কৰি আহিছো। চাৰ, কংগ্ৰেছ আইৰ দিনতে এই এড-হক চিচটেমটো চলিছিল এতিয়া এজিপিৰ দিনত এই এড-হক চিচটেমটো চলি থকাৰ কাৰণে গালি দিয়া অৰ্থটো মই বুজিব পৰা নাই। বহুতে কৈছে তেওঁলোকৰ সময়ত এইটো অস্থায়ী ভাবে চলিছিল কিন্তু অস্থায়ী বোলোতে তাৰ সময়ৰ সীমা কিমান দূৰ সেইটো জনা নাযায়, হয়তো আজি কংগ্ৰেছ আই থকা হলে আজিয়ো এড-হক চিচটেম চলি থাকিলহেতেন। এজিপি আৰু আই দলৰ এনেবিলাক ঘটনাৰ কাৰণেই ৬৪ এমেণ্ডমেণ্টৰ জনম হ'ল। আজি অসমত ইলেকশ্যন অৰিয়েণ্টেড কিছুমান আচনি কৰা হৈছে। আজি অসমৰ যি কোনো ঠাইতে বিশ্ববিদ্যালয় হওক তাত আমাৰ আপত্তি নাই কিন্তু চেণ্ট্ৰেল ইউনিভাৰচিটিক লৈ ৰাজনীতি খেলা আৰু ইলেকশ্যনৰ আগতে ৰাজ্যিক চৰকাৰৰ লগত আলোচনা নকৰাকৈয়ে এটা সিদ্ধান্ত লোৱাতো উচিত হোৱা নাই কিয়নো আগতেই এই সম্পৰ্কত ক'ত কেন্দ্ৰীয় বিশ্ববিদ্যালয় হব ইত্যাদি বিষয় লৈ কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা কিছুমান আশ্বাস দিয়া আছিল অথচ আজি সেই সকলো বিলাক কথা আওকান কৰি নিৰ্ব্বাচনৰ আলম লৈ এক বিশিষ্ট ঠাইত বিশ্ববিদ্যালয়

প্ৰতিস্থা কৰাৰ কাৰণে আগবাঢ়ি আহিছে। ইয়াত ৰাজ্যিক চৰকাৰৰো দায়িত্ব আছিল। তাৰ পাচত ১৯৮০ চনৰ ভোটাৰ লিষ্ট কিয় নহব। আমাৰ গ্ৰামীন উন্নয়নৰ কাৰণে আজি পঞ্চায়ত অতিকৈ প্ৰয়োজন হৈছে কিয়নো বহুতো সৰু সুৰা গাৰৰ কাম কাজ আৰু ৰিপেয়াৰিং ওৱৰ্ক বিলাক হৈ উঠা নাই, তাৰোপৰি আৰ, এল, ই, জি পিৰ দ্বাৰা কাম কাজ বিলাক হোৱা নাই। গাৱৰ ভিতৰত থকা সৰু সুৰা ডোং ইত্যাদি কিছুমান পঞ্চায়তৰ দ্বাৰা কৰিবলৈ সুবিধা হব। এই ক্ষেত্ৰত দেখা যায় যিটো বাজেটৰ টকা এলোকেশ্যান হয় সেইটো বহু ক্ষেত্ৰত এই এলোকেশ্যানৰ টকাতো জিলা ভিত্তিত যোৱা নাই, আনকি টি, এচ, পিৰ এলোকেশ্যনৰ প্ৰায় ২ কোটি টকা পঞ্চায়ত ডিৰেক্টৰত জমা হৈ আছে। ইয়াৰ বিতৰণ হোৱা নাই। হয়তো এই বছৰৰ টকাতো নাযাব। গতিকে নতুনকৈ চাৰ্জলোৱা পঞ্চায়ত মন্ত্ৰীয়ে প্ৰথম বাৰৰ কাৰণে যেতিয়া কাট মোশ্যন পাইছে, আগৰ মন্ত্ৰীয়ে আমাক আশ্বাস দিছিল কিন্তু নহল গতিকে বৰ্ত্তমানৰ মন্ত্ৰীয়ে অসমৰ ৰাইজক আশ্বাস দিব লাগে যাতে অসমৰ ৰাইজে পঞ্চায়ত ইলেকশ্যন হব বুলি সন্তুষ্টি লাভ কৰিব পাৰে। তাৰো পৰি কেন্দ্ৰীয় চৰকাৰে যাতে প্ৰতিটো ক্ষেত্ৰতে আমাৰ ৰাজ্যিক চৰকাৰক এনক্ৰোচ কৰিব নোৱাৰে, আৰু ৰাজ্যিক চৰকাৰে নিজৰ নিজৰ কাম কৰি যাব পাৰে তাৰ কাৰণে ৰাইজৰ সুবিধা হোৱাকৈ কাম বিলাক কৰিব পাৰে সেইটো ক্ষেত্ৰত আজি ৰাইজে অসমত পঞ্চায়ত ইলেকশ্যন হোৱাতো বিচাৰিছে আৰু সেইটো হব বুলি ৰাইজক জনাই দিয়ক। গতিকে ৰাইজৰ আশা পূৰণ কৰিব পৰাকৈ মন্ত্ৰী ডাঙৰীয়াই যাতে কিবা এটা ভাল দিকলাৰেশ্যান দিয়ে তাৰ কাৰণে আশা কৰিলো। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীদেবেশ্বৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনত গ্ৰামোন্নয়নৰ বিভাগৰ দায়িত্বত থকা মন্ত্ৰী ডাঙৰীয়াই পঞ্চায়তী ৰাজ ব্যৱস্থাৰ বাবে যিখিনি মঞ্জুৰী বিচাৰিছে তাৰ প্ৰতি মই সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষই যি কাটমোচন আনিছে তাক মই বিৰোধীতা কৰিছো। এই পঞ্চায়তৰ ওপৰত যোৱা বাৰ কিছু বক্তব্য ৰাখিছিলো আৰু এই পঞ্চায়ত

* Speech not Corrected

ব্যৱস্থাৰ কেনেকৈ উন্নতি কৰিব পৰা যায় সেই বিষয়ে চিন্তা চৰ্চ্চা হৈ আহিছে আৰু শেহতীয়া ভাবে 'ভূতৰ মুখত ৰাম নাম' অলপ আমি দেখিবলৈ পাইছো। স্বাধীনতাৰ পাচত পঞ্চায়তক লৈ ৰাজনীতি কৰা মানুহ সকলে এই বাৰ আকৌ ভাল কাম কৰিম বুলি ৰাইজৰ সন্মুখত প্ৰতিশ্ৰুতি বদ্ধ হৈছে। 'ভূতৰ মুখত ৰাম নাম' বুলি কোৱাৰ কাৰণ আছে আৰু মই এই কাৰণেই এই কথাটো কৈছো। ১৯৫৭ চনত বলভদ্ৰ মেহতা কমিটিয়ে পঞ্চায়তীৰাজ ব্যৱস্থাক অধিক ক্ষমতা দিবৰ বাবে পৰামৰ্শ আগবঢ়াইছিল যদিও সেই পৰামৰ্শ গ্ৰহণ কৰা হোৱা নাছিল। কিন্তু শেহতীয়া ভাবে নিৰ্ব্বাচনক কেন্দ্ৰ কৰি নিৰ্ব্বাচনৰ আগে আগে কেনেকৈ ভাৰতবৰ্ষৰ মানুহক কংগ্ৰেছ আইৰ পক্ষলৈ নি আগন্তুক সংসদী নিৰ্ব্বাচনত ভোট দিয়াৰ ব্যৱস্থা কৰিব পৰা যায়, এইটো এটা টেকনিক চলিছে। টি, ভি খুলিবই নোৱাৰি বা ৰেডিঅ বজাবই নোৱাৰি, ৰাজনীতিৰ প্ৰচাৰ আৰম্ভ হলেই, আৰু আমাৰো ধাৰণা হৈছে যে ভাৰতবৰ্ষৰ সংসদীয় ব্যৱস্থাটো আৰু কিমান দিন থাকিব। কাৰণ ইতিমধ্যে যি প্ৰক্ৰিয়া আৰম্ভ হৈছে এই প্ৰক্ৰিয়াৰ দ্বাৰা গম পোৱা গৈছে যে ভাৰতবৰ্ষৰ সংসদীয় ব্যৱস্থাটো উঠাই ৰাষ্ট্ৰপতিৰ শাসন চলোৱাৰ এটা চক্ৰান্ত চলিছে। এইটো এই কাৰণেই কৰা হৈছে যে ইয়াৰ দ্বাৰা ৰাজ্যিক চৰকাৰক হস্তক্ষেপ কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে যাতে ৰাজ্যিক চৰকাৰক হস্তক্ষেপ কৰিব পাৰে সেই বিষয়ে জোৰ দিছে। ৰাজ্য চৰকাৰক যিখিনি ক্ষমতা দিব লাগে সেইখিনি দিয়াৰ কাৰণে কিন্তু কেন্দ্ৰীয় চৰকাৰ আগবাঢ়ি অহা নাই। পঞ্চায়তৰ ক্ষেত্ৰত মাননীয় সদস্য বিনাই খুংগুৰ বসুমতাৰী ডাঙৰীয়াই আমাক এন্টিনেচনেল বুলি কৈছে। কিন্তু ভাৰতবৰ্ষৰ সংবিধানৰ বাহিৰত গৈ যি সকলে চেপাৰেট ষ্টেট বিচাৰিছে আৰু সেই বিচৰা সকলক যিয়ে সমৰ্থন কৰিছে সেই সকল এন্টি নেচনেল নহয় নেকি? তেওঁলোক ৰাষ্ট্ৰ বিৰোধী হব নোৱাৰে নেকি? উদগনি দিয়াটোও টো ৰাষ্ট্ৰ বিৰোধী কথা।

**Shri Binai Khungur Basumatari**—On a point of order, sir, the Hon'ble Member has mis-represented the

fact because here (showing the Constitution of India book) in the Art. 234 in the powe: of the Parliament the Parliament has the power to create new States or to review the existing States or enlarge it.

শ্ৰীদেৱেশ্বৰ বৰা : এতিয়া মই পঞ্চায়তৰ ওপৰত যিখিনি টকা ধাৰ্য্য কৰিছে সেইখিনিৰ সম্পৰ্কত মই চৰকাৰক ধন্যবাদ জনাব বিচাৰিছো। কিয়নো ষষ্ঠ পৰিকল্পনাত চৰকাৰে পঞ্চায়তী ৰাজ ব্যৱস্থাৰ জৰিয়তে বিশেষ পদক্ষেপ লব নোৱাৰে তথাপিতো এই বাজেটত ষষ্ঠ অনুচ্ছেদত কিছু টকা হলেও ধৰিছে। সেই কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো। এতিয়া বাজেটত দেখা পাইছো যে চাচপেঞ্চ একাউণ্টত প্ৰায় ৪ লাখ ৫০ হাজাৰ টকা ধৰা হৈছে। সেই টকাখিনি কেনেকৈ মিনিমাইজ কৰিছে এই কথাটো মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ ভাষণত উল্লেখ কৰিব এতিয়া অসমৰ পঞ্চায়ত ব্যৱস্থাৰ ক্ষেত্ৰত আমাৰ মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই দুটামান কথা উল্লেখ কৰিছে যে পঞ্চায়তীৰাজ ব্যৱস্থাত কৰ্ম্মচাৰী সকলৰ যিটো ব্যৱস্থা লোৱা হৈছে এই ক্ষেত্ৰত এটা বাস্তব পন্থা লব লাগে। আমাৰ ইয়াত প্ৰায় ৭৭৪ খন গাওঁ পঞ্চায়ত আছে। তাত যি সকল কৰ্ম্মচাৰীয়ে কাম কৰিছে তেওঁলোকৰ অৱস্থা অতি দুখ লগা আৰু তেওঁলোকে অহা কালিৰ পৰা আন্দোলনৰ পথ লব বুলি প্ৰস্তাৱ লৈছে। মই আশা ৰাখিছো ভাৰতবৰ্ষৰ অন্যান্য কিছুমান ৰাজ্যত পঞ্চায়তীৰাজ কৰ্ম্মচাৰীৰ কাৰণে কিছুমান বাস্তবমুখী ব্যৱস্থা লৈছে। ঠিক তেনে ধৰণে আমাৰ ৰাজ্যতো পঞ্চায়তৰ কৰ্ম্মচাৰী সকলৰ ক্ষেত্ৰত বাস্তব ব্যৱস্থা লব লাগে। আমাৰ ৰাজ্যিক চৰকাৰৰ কিছুমান বিভাগ আছে য'ত নেকি কৰ্মচাৰী সকলক সুবিধা দিয়া স্বত্বেও তেওঁলোকৰ পৰা কোনো কাম হোৱা নাই। কিন্তু পঞ্চায়তত কাম কৰা যি সকল কৰ্মচাৰী আছে তেওঁলোকৰ পৰা গাওঁৰ বা গ্ৰামোন্নয়নৰ ক্ষেত্ৰত আমি বহুখিনি সুবিধা পাইছো। এতিয়া এই বাজেটত কিছুমান টকা ধাৰ্য্য কৰা আমি দেখিবলৈ পাইছো। মাননীয় সদস্য অমৃত লাল বসুমতাৰী ডাঙৰীয়াই কৈছে যে ট্ৰাইবেল চাবপ্লেনৰ বহু পৰিমাণৰ আগৰেই টকা জিলা

বিলাকলৈ ৰিলিজ কৰি দিয়া হোৱা নাই। কি কাৰণে দিয়া হোৱা নাই এই কথাটো চৰকাৰে স্পষ্ট ভাবে জনাব লাগে। আকৌ মহকুমা পৰিষদে ইউটিলাইজেচন চাৰ্টিফিকেট দিছে নে নাই এই বিষয়েও চাব লাগে। যিবিলাক মহকুমা পৰিষদে ভাল ভাবে কাম কৰিছে এই ক্ষেত্ৰত চৰকাৰে চাব লাগে আৰু টকাতো ৰিলিজ দিব লাগে। দ্বিতীয়তে সমূহীয়া উন্নয়নৰ ক্ষেত্ৰত যিখিনি টকা ৰাখিছে সেইখিনি কাম অনুযায়ী নিচেই নগণ্য হৈছে। আজি ৰাষ্টা-পদূলী আদিৰ উন্নয়ন মূলক কাম কৰিবৰ কাৰণে এই সামান্য টকাৰে সমাধা কৰিব লাগিব। এই কমিডিনি ডেভেলপমেণ্টৰ ক্ষেত্ৰত চৰকাৰে কিছুমান ব্যৱস্থা লৈছে তাৰ বাবে আমি চৰকাৰক ধন্যবাদ জনাইছো। এতিয়া আমি দেখা পাইছো শিশু খাদ্যৰ ক্ষেত্ৰত কিছুমান টকা ধাৰ্য্য কৰা হৈছে। শিশু খাদ্যৰ ক্ষেত্ৰত আজি মহিলা সমিতিৰ জৰিয়তে ব্লক লেভেল এডভাইচোৰী কমিটিত এই বিলাক যুগুত কৰা হয়। কিন্তু আচনি যদিও কৰা হৈছে তথাপিও সময় মতে শিশু খাদ্য পোৱা নাই আৰু যিবিলাক বস্তু যোগান ধৰা হয় বিভিন্ন সময়ত এইক্ষেত্ৰত বিভিন্ন অভিযোগ আহিছে। গতিকে এই ক্ষেত্ৰত চৰকাৰে অলপ চিন্তা কৰাটো বাঞ্চনীয়। শিশু খাদ্য শিশু সকলৰ মানসিক আৰু শাৰিৰীক বিকাশৰ কাৰণে দিয়া হয়। কিন্তু সেই খাদ্যৰ দ্বাৰা যদি শিশুৰ শৰীৰ নষ্টহে হয় তেতিয়াহলে এই আচনিৰ দ্বাৰা উপকৃত নহব। গতিকে শিশুৰ শৰীৰ যাতে বিনষ্ট নহয় সেইটো চাব লাগে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে এই আচনি পৃষ্টপোষকতা কৰি আহিছে আৰু ইয়াৰ যাতে সফল ৰূপায়ণ হয় তাৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছো। তাৰ পাচত পঞ্চায়তৰ ক্ষেত্ৰত ইতিমধ্যে ইয়াত এটা প্ৰশ্ন আহিছে যে পঞ্চায়ত নিৰ্ব্বাচন নোহোৱাৰ কাৰণে আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে তেখেত সকলে বাৰে বাৰে কৈ আহিছে। গতিকে এতিয়া নিৰ্ব্বাচন নোহোৱাৰ কাৰণ কি বা পাতিব নোৱাৰাৰ কাৰণ কি সেইটো ঠিৰাং কৰিব লাগে। যিহেতু আন্দোলনকাৰী সংগঠনৰ লগত চৰকাৰৰ এটা আলোচনা আৰু সিদ্ধান্ত আছে আৰু ১৯৮৫ চনৰ ভোটাৰ তালিকাৰ ক্ষেত্ৰত আংশিক ভাবেহে সহাৰি দিয়া হৈছিল। ইয়াৰ পাচত নিৰ্ব্বাচন হলেও ১৯৬৬

চনৰ ভোটাৰ লিষ্টৰ ভিত্তিত ভোটাৰ তালিকাখন সংশোধন হোৱাৰ পাচতহে অসমত নিৰ্ব্বাচন হব লাগে।

মাননীয় উপাধ্যক্ষঃ সেইটো মন্ত্ৰীয়ে কব।

শ্ৰীদেবেশ্বৰ বৰাঃ এই কাৰণেই এইটো কব লাগিব যে আমি আন্দোলনকাৰী সংগঠনৰ পৰা আহিছো। মই আশা ৰাখিছো কোনো অশুদ্ধ ভোটাৰ লিষ্টক লৈ যাতে কোনো নিৰ্ব্বাচন অনুষ্ঠিত কৰা নহয় আৰু শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰি যাতে নিৰ্ব্বাচন পতা হয় তাৰ বাবে অনুৰোধ জনালো। মই চৰকাৰক ধন্যবাদ জনাইছো যে সমগ্ৰ অসমত ৩৭ টা নতুনকৈ ব্লক গঠন কৰাৰ কাৰণে চৰকাৰে অনুমোদন জনাইছে। এইবাৰ ২৭ টা আৰু আগৰ ১০ টা মুঠ ৩৭ টা ব্লক। দৈয়াং অঞ্চলতো আমি এইবাৰ এটা ব্লক বহু দিনৰ মূৰত পাইছো। এই ব্লকত ৭ খন গাওঁ পঞ্চায়ত আৰু ২ লাখতকৈও অধিক জনসংখ্যা আছে। গতিকে আমি আশা ৰাখিছো তাত অনতি পলমে কৰ্ম্মচাৰী সকলক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীগনেশ কুটুম (মন্ত্ৰী)ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৫৭ নং দাবী মঞ্জুৰীৰ দাবীৰ ওপৰত আমাৰ মাননীয় সদস্যসকলে বহুতো আলোচনাৰ মাজেদি বিভাগটোৰ কাম কাজৰ পৰামৰ্শ আগবঢ়াইছে আৰু তেখেতসকলৰ এই পৰামৰ্শখিনিৰ ওপৰত আৰু তেখেতসকলে স্পষ্টীকৰণৰ কাৰণে যিখিনি বক্তব্য ৰাখিছে সেইখিনি কোৱাৰ আগতে মই দুই এটা বিৱৰণ মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে আৰু বিবেচনাৰ কাৰণে থুলমূল ভাবে উল্লেখ কৰিব খুজিছো।

১৯৫২ চনতে প্ৰতিষ্ঠা হোৱা পঞ্চায়ত আৰু উন্নয়ন বিভাগটোৱে গাওঁ অঞ্চলৰ ৰাইজৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে সকলো প্ৰকাৰে চেষ্টা কৰি আহিছে। স্বাধীনোত্তৰ কালছোৱাত গ্ৰামাঞ্চলৰ উন্নতিৰ বাবে চৰকাৰে লোৱা ব্যৱস্থা সমূহৰ ভিতৰত এই বিভাগটোৱে উন্নয়ন খণ্ডবোৰৰ মাধ্যমেৰে বিশেষ অৰিহণা যোগাই আহিছে। বৰ্ত্তমানৰ সময়তো জনসংখ্যা বৃদ্ধিৰ

লগে লগে এই বিভাগটোৱে নতুন নতুন উন্নয়ন খণ্ড গঠন কৰি গাৱলীয়া ৰাইজৰ সেৱাত আত্মোস্বৰ্গ কৰিবলৈ প্ৰয়াস কৰি আহিছে।

উন্নয়নৰ বিভিন্ন লক্ষ্যত উপনীত হোৱাৰ বাবে তিনিখলপীয়া পঞ্চায়তীৰাজ ব্যৱস্থাটোৰ পৰিবৰ্ত্তন ঘটাই মহকুমা পৰিষদ আৰু গাওঁ পঞ্চায়তবোৰ খুলি দুখলপীয়া পঞ্চায়তীৰাজ ব্যৱস্থাটো ১৯৭২ চনত প্ৰৱৰ্ত্তন কৰে। কিন্তু এই দুখলপীয়া ব্যবস্থাই খণ্ড উন্নয়ন বিষয়াসকলৰ ভূমিকাৰ সংকোচন ঘটোৱাৰ কাৰণে পঞ্চায়তীৰাজ ব্যৱস্থাৰ কিছু ত্ৰুটিপূৰ্ণ হোৱা যেন দেখা পাই আকৌ তিনিখলপীয়া পঞ্চায়তীৰাজ আইন প্ৰণয়ন কৰা হৈছে। আশা কৰা যায় এই তিনিখলপীয়া পঞ্চায়তীৰাজ ব্যৱস্থাই গাৱলীয়া জনসাধাৰণৰ আৰু অধিক কাষ চাপিব। লগতে উন্নয়নমূলক আচনিবোৰ সফলভাৱে ৰূপায়িত কৰিবলৈকো সমৰ্থ হব।

১৯৮৮–৮৯ চনৰ বিত্তীয় বছৰটোত এই বিভাগটোৱে পাহাৰ-ভৈয়াম সকলোবোৰ গাওঁঅঞ্চলকে সামৰি লোৱা উন্নয়ন মূলক আচনিবোৰৰ বাবে বাৰ্ষিক পৰিকল্পনা শিতানৰ পৰা বছৰটোৰ ভিতৰত সৰ্ব্বমুঠ ৭৭৬·৭০ লাখ টকা খৰচ কৰে। ইয়াৰ ভিতৰত ৭০৭·৮১ লাখ টকা ভৈয়াম অঞ্চলৰ উন্নয়ন মূলক আৰু ৬৮·৮৯ লাখ টকা পাহাৰ অঞ্চলৰ উন্নয়নৰ বাবে ধাৰ্য্য কৰা হৈছিল। ইয়াৰ উপৰি এই বিভাগটোৱে সৰ্ব্বমুঠ ১০৩২·৯০ লাখ টকা স্বাভাবিক ( Non-Plan ) শিতানৰ পৰা কৰ্মচাৰীৰ বেতন আদিৰ উপৰিও উন্নয়নমূলক আচনিৰ বাবে খৰচ কৰে। বিভাগটোৰ বিশেষ ভাৱে লক্ষ্য কৰিবলগীয়া আচনি খন হ'ল—শিশু প্ৰসুতি মাতৃৰ কাৰণে পৰিপূৰক পুষ্টিকৰ খাদ্য যোগানৰ আচনি। এই আচনিখনে ভৈয়াম অঞ্চলৰ ১২১,০৭০ টা শিশু আৰু ৩,০৮০ গৰ্ভৱতী মাতৃৰ পৰিপূৰণ খাদ্য যোগানৰ উপৰিও পাহাৰ অঞ্চলৰ ৪,৮০০ শিশুৰো পৰিপূৰক পুষ্টি সাধনৰ আচনিৰ দ্বাৰাই উপকৃত কৰা হৈছে। বিভাগটোৰ সকলোবোৰ উন্নয়নমূলক আচনিকেই মহকুমা পৰিষদৰ যোগেদি খণ্ড উন্নয়নবোৰৰ দ্বাৰাই চলাই থকা হৈছে।

ইয়াৰ উপৰিও ঘেহুভিত্তিক পৰিপূৰক পুষ্টিকৰ আচনিৰ অধিনত

গাওঁঅঞ্চলৰ শিশু আৰু গৰ্ভৱতী/প্ৰসুতি মহিলাক পুষ্টিকৰ আহাৰ খুউৱাৰ ব্যৱস্থা কৰা হৈছে। এই আচনিৰ যোগেদি যোৱা বিত্তীয় বছৰত মুঠ ১০·০০ লাখ টকা খৰছ কৰা হৈছে। এই সমুদায় ধন কেন্দ্ৰীয় চৰকাৰে যোগান ধৰিছে। এই আচনিৰ দ্বাৰা যোৱা বছৰত মুঠ ১০৫,৩৯০ টা শিশু আৰু ১১,৭১০ গৰাকী গৰ্ভৱতী/প্ৰসুতি মাতৃ উপকৃত হৈছে। এই আচনি উন্নয়ন খণ্ডৰ যোগেদি ৰূপায়ন কৰা হয়।

অনুসুচীত জাতি আৰু অনুসুচীত জনজাতিৰ কল্যাণৰ বাবে কিছুমান আচনি এই বিভাগটোৱে চলাই আহিছে। এইবোৰৰ ভিতৰত বিশেষকৈ অনুসুচীত জাতি আৰু জনজাতি অধ্যুষিত অঞ্চলৰ খেতি পথাৰত নিৰ্ম্মান কৰা বান্ধ, দোং, পথবোৱা ৰাস্তা, পূল আৰু সৰু সৰু গাৱলীয়া দলঙেই প্ৰধান। উক্ত আচনিবোৰৰ বাবে ১৯৮৮-৮৯ চনত পৰিকল্পনা শিতানৰ পৰা যথাক্ৰমে ৭৭·০০ লাখ আৰু ৩৮·০০ লাখ টকা অনুসুচীত জনজাতি আৰু অনুসুচীত জাতিৰ কল্যাণৰ বাবে লোৱা আচনি সমূহত খৰচ কৰা হৈছে।

ৰাষ্ট্ৰীয় উন্নত চৌকা আচনিৰ যোগেদি গাৱৰ দুখীয়া জীয়ৰি-বোৱাৰীক উন্নত চৌকা নিৰ্ম্মানৰ প্ৰশিক্ষন দিয়া হয়। ইয়াৰ দ্বাৰা তেওঁলোকৰ আংশিক আত্মসংস্থানৰ ব্যৱস্থা হয়। এই আচনিৰ জৰিয়তে গাওঁ সমূহত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছে। কাৰণ এই উন্নত চৌকাই একালে ইন্ধনৰ মিতব্যয়িতা ৰক্ষা কৰিছে আৰু অন্যহাতেদি পাৰিপাৰ্শ্বিকতা দুষিতকৰণ ৰোধ কৰা কাৰ্য্যক সীমিতভাৱে হলেও সহায় কৰিছে। ১৯৮৮-৮৯ বিত্তীয় বছৰত ২·৭০ লাখ টকাৰ মুঠ ৪০,০০০ টা উন্নত চৌকা নিৰ্ম্মান কৰাৰ আচনি কৰা হয়।

এই বিভাগটোৱে বিত্তীয়ভাৱে দুৰ্ব্বল মহকুমা পৰিষদ আৰু গাওঁ পঞ্চায়ত সমূহক আৰ্থিক সাহাৰ্য্য আগবঢ়াই আহিছে। ১৯৮৮-৮৯ বিত্তীয় বছৰত ৯·০০ লাখ টকা মুঠ ৭১৪ খন এনে গাওঁ পঞ্চায়ত আৰু ৩১ খন মহকুমা পৰিষদক আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা হৈছে। এই সাহাৰ্য্যৰ ৭০% গাওঁ পঞ্চায়ত বিলাকক আৰু ৩০% মহকুমা পৰিষদ বিলাকক দিয়া হয়।

চৰকাৰে উন্নয়নমূলক কাম সমূহ দ্ৰুত আৰু সৰ্ব্বসাধাৰণ ৰাইজৰ অধিক ওচৰ চপাই নিবৰ বাবে পৰ্য্যায় ক্ৰমে খণ্ড উন্নয়ন বিলাকৰ পুনৰ গঠনৰ কাম হাতত লৈছে। সেইমতে ১৯৮৬–৮৭ চনত ভৈয়াম অঞ্চলত ১০ টা আৰু পাৰ্ব্বত্য অঞ্চলত ২ টা মুঠ ১২ টা উন্নয়ন খণ্ড সৃষ্টি কৰে। ইয়াৰ উপৰিও ১৯৮৮--৮৯ চনতো ভৈয়াম অঞ্চলত নতুনকৈ ২৭ টা উন্নয়ন খণ্ড সৃষ্টি কৰিছে। নতুনকৈ সৃষ্টি কৰা এই উন্নয়ন খণ্ড বিলাকত কাৰ্য্যালয় ভৱন, খণ্ড উন্নয়ন বিষয়া, জেষ্ঠ খণ্ড উন্নয়ন বিষয়া আৰু অন্যান্য কৰ্মচাৰী--সকলৰ আবাস গৃহ পৰ্য্যায় ক্ৰমে নিৰ্ম্মাণ কৰিবলৈকো হাতত লৈছে। বাৰ্ষিক পৰিকল্পনাভুক্ত অনুদান সিমীত হোৱাৰ কাৰণে সকলোবোৰ উন্নয়ন খণ্ডতেই যথোপযুক্ত ভাৱে নতুন নতুন আবাস গৃহ সাজিব পৰা নাই যদিও এই কামবিলাক পৰ্য্যায়ক্ৰমে শেষ কৰাৰ চেষ্টা কৰা হৈছে।

১৯৮৬–৮৭ বিত্তীয় বছৰৰ পৰা ১৯৮৮–৮৯ বছৰলৈকে খণ্ড উন্নয়ন বিষয়া, জেষ্ঠখণ্ড উন্নয়ন বিষয়া, কাৰ্য্যালয় ভৱনৰ সম্প্ৰসাৰণ আৰু আন আন কৰ্মচাৰীৰ বাবে যুগ্ম আবাস গৃহ নিৰ্ম্মাণ আৰু পুৰণি আবাস গৃহৰো সম্প্ৰসাৰণৰ ক্ষেত্ৰত বৰ্ত্তমানলৈকে মুঠ ৯২৪·৪১ লাখ টকা খৰচ কৰা হৈছে। নতুন খণ্ড উন্নয়ন বিলাকত পৰিকল্পনাৰ কাম বিলাকৰ উপৰিও আন আন কামবোৰ পৰ্য্যবেক্ষন কৰিবৰ বাবে নতুন ১০৫ খন জীপগাড়ী যোগান ধৰা হৈছে। ইয়াৰ উপৰিও পঞ্চায়তী ৰাজ কাৰ্য্য ব্যৱস্থাৰ অধীনত বিভিন্ন কাম-কাজ দ্ৰুত ৰূপায়নত সহায়ক হোৱাৰ বাবে ১৭ খন মিনি ট্ৰাক ১৮ জন উপায়ুক্তৰ তত্বধানত যোগান ধৰা হৈছে।

১৯৮৮–৮৯ বিত্তীয় বছৰৰ শেষৰফালে নতুনকৈ খোলা ২৭ টা উন্নয়ন খণ্ডত কাৰ্য্যালয় ভৱন আদি নিৰ্ম্মাণৰ বাবে মুঠ ১১০·০০ লাখ টকা গড়কাপ্তানী বিভাগৰ যোগে কৰা হৈছে। ইয়াৰ উপৰিও ১৯৮৬-৮৭ চনত নতুনকৈ খোলা ১০ টা উন্নয়ন খণ্ডত কাৰ্য্যালয় ভৱন নিৰ্ম্মাণ, খণ্ড উন্নয়ন বিষয়া, চতুৰ্থ শ্ৰেণী কৰ্ম্মচাৰীৰ আবাস গৃহ আৰু আন আন কৰ্ম্মচাৰীৰ বাবে যুগ্ম আবাস গৃহ নিৰ্ম্মাণ আৰু পুৰণা আবাস গৃহৰ সম্প্ৰসাৰণ, গুদাম, গেৰেজ আদি নিৰ্ম্মাণত মুঠ ২২০·৮৪ লাখ টকা খৰচ কৰা হয়।

১৯৮৯-৯০ বিত্তীয় বছৰত বাৰ্ষিক পৰিকল্পনা শিতানৰ পৰা মুঠ ৪৩০.০০ লাখ টকা কাৰ্য্যলয় ভৱন আৰু বিভিন্ন আবাস গৃহ নিৰ্ম্মাণ, নতুন গাড়ী ক্ৰয় আৰু নতুন কৰ্ম্মচাৰীৰ বেতনৰ বাবে ধাৰ্য্য কৰা হৈছে। ইয়াৰ উপৰিও পঞ্চায়ত বিভাগৰ অধিনত ৭ টা প্ৰশিক্ষণকেন্দ্ৰ। এইকেন্দ্ৰ সমূহৰ যোগেদি বিভিন্ন পৰ্য্যায়ৰ চৰকাৰী চাকৰিয়ালক বিভিন্ন দিশত প্ৰশিক্ষণ দিয়াৰ উপৰিও পঞ্চায়ত কৰ্ম্মীসকলকো আৱশ্যকীয় প্ৰশিক্ষণ দিয়া হয়। ১৯৮৯-৯০ বিত্তীয় বছৰত এই শিতানত মুঠ ১৫.৬৩ লাখ টকা ধাৰ্য্য কৰা হৈছে।

পঞ্চায়তীৰাজ আইন আৰু নীতিৰ ধাৰা অনুসৰি হাট, ঘাট আদি নিৰ্দ্দিষ্ট নিৰিখত উপযুক্ত বুলি বিবেচীত ডাকোতাক মহকুমা পৰিষদৰ যোগেদি আবণ্টন দিয়া হয়। আপত্তি থাকিলে চৰকাৰক আপীল কৰাৰো ব্যৱস্থা আছে। গাওঁ পঞ্চায়ত সম্পাদকে মহকুমা পৰিষদৰ যোগেদি বেতন পায় হেতুকে গাওঁ পঞ্চায়তৰ বাজেটত তেওঁৰ বাবে ধৰা সিমান পৰিমানৰ টকা পঞ্চায়তৰ পূজিৰ পৰা আগতীয়াকৈ মহকুমা পৰিষদৰ পূজিত জমা দিয়া হয়। বাকী কৰ্ম্মচাৰী বিলাকে তুলনা মূলক ভাবে ঘাটি বাজেটৰ পৰা নিয়মীয়াকৈ দৰ্মহা নাপায়।

ভোটাৰ লিষ্ট সংশোধনী সাপেক্ষে পঞ্চায়ত নিৰ্ব্বাচন পতাৰ বিষয়ে সময়ত বিবেচনা কৰা হব। গাওঁ পঞ্চায়ত সমূহৰ পৰিসীমা নতুনকৈ নিৰ্দ্ধাৰণ কৰা হব আৰু এই সন্ধৰ্ভত বহুত কাম ইতিমধ্যে কৰা হৈছে। পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ একীকৰণ কৰা হৈছে। সঞ্চালক দ্বয়ৰ দুটা কাৰ্য্যালয় একেলগে কৰাৰ বাবেও সিদ্ধান্ত লোৱা হৈছে। মাননীয় সদস্য সকলৰ অবগতিৰ কাৰণে থুলমুল ভাবে এই পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ কাৰ্য্যৱলীৰ সম্পৰ্কে এটা বিৱৰণ দাঙি ধৰিলো। মাননীয় সদস্য সকলে বিভাগীয় কাম-কাজৰ সম্পৰ্কে দেখুৱা আসোৱাহ সমূহ দূৰ কৰিবলৈ যত্নবান হম। তেখেতসকলে আগবঢ়োৱা গঠন মূলক পৰামৰ্শ বিলাকৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। ৰাজ্য খনৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত আৰু গাৱলীয়া ৰাইজৰ অতি প্ৰয়োজনীয় অসুবিধা সমূহ দূৰীকৰণৰ বাবে হাতত লব খোজা বিভাগীয় আচনি সমূহ

কাৰ্য্যকৰী কৰিবৰ অৰ্থে এই বিভাগটোৰে উত্থাপন কৰা বাজেট গ্ৰান্ট যথাযথ ভাৱে ৰাখিবলৈ সদস্যকে কৰ্ত্তন প্ৰস্তাবটো উঠাই লবলৈ অনুৰোধ জনালো ।

মাননীয় উপাধ্যক্ষ মহোদয়, কেইবাজনো মাননীয় সদস্যই এটা কথা উল্লেখ কৰিছে যে এই চৰকাৰে পঞ্চায়ত নিৰ্ব্বাচন পাতিবৰ কাৰণে কোনো কান সাৰ দিয়া নাই আৰু কোনো ব্যৱস্থা হাতত লোৱা নাই । কিন্তু এই ক্ষেত্ৰত মই সদনক এটা কথা জনাব খোজো যে পঞ্চায়তৰ নিৰ্ব্বাচন অনুস্থিত কৰাৰ কাৰণে এই চৰকাৰে কোনো ধৰণে গা এৰা দিয়া নাই বৰং অতি সোনকালে পঞ্চায়তৰ নিৰ্ব্বাচন কেনেকৈ অনুস্থিত কৰিব পাৰি তাৰ কাৰণে আমি চিন্তা কৰি আছো । কিন্তু আমাৰ প্ৰধান অসুবিধা এটা হৈছে যে আমাৰ এখন সংশোধিত ভোটাৰ তালিকা নাই । আমাৰ ভোটাৰ তালিকাখন সংশোধন হোৱাৰ লগে লগেই আমি পঞ্চায়ত নিৰ্ব্বাচন অনুস্থিত কৰিব পাৰিম আৰু সেইদৰে এই পঞ্চায়তী ব্যৱস্থাক কাৰ্য্যত ৰূপায়িত কৰাত অগ্ৰসৰ হব পাৰিম । মাননীয় সদস্য শ্ৰীদীনবন্ধু চৌধুৰী ডাঙৰীয়াই তিনি খলপীয়া পঞ্চায়তী ৰাজ ব্যৱস্থাৰ কথা উল্লেখ কৰিছে । এই ক্ষেত্ৰত মই কব খোজো যে আমাৰ চৰকাৰেও এনে ধৰণৰ এখন তিনিখলপীয়া পঞ্চায়তীৰাজ ব্যৱস্থাৰ কথা চিন্তা কৰি এখন বিল উৎথাপন কৰাৰ মানসেৰে আজি কিছু দিনৰ আগতে ৰাষ্ট্ৰপতিৰ অনুমোদনৰ কাৰণে পঠাইছিলে । আৰু ইতিমধ্যে লোকসভাতো পঞ্চায়তীৰাজৰ ওপৰত এখন নতুন আইন পাছ হোৱাৰ ফলত এইখনে এতিয়া কি ৰূপ লয় তালৈ আমি অপেক্ষা কৰিব লগা হৈছে । কিন্তু আমাৰ মূল সমস্যা হল ভোটাৰ তালিকা সংশোধন নোহোৱাৰ কাৰণে আমি সময়মতে পঞ্চায়ত নিৰ্ব্বাচন পাতিব পৰা নাই । এই ক্ষেত্ৰত আমিও একমত যে পঞ্চায়তসমূহ ক্ষমতাশালী কৰিব লাগে আৰু গাওঁৰ ৰাইজৰ মাজৰ পৰা প্ৰতিনিধি নিৰ্ব্বাচিত কৰি গাওঁৰ ৰাইজকে সেৱা কৰাৰ সুবিধা দিয়াত আমাৰ কোনো দ্বিমত নাই । মাননীয় সদস্য শ্ৰীকন্দপান ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে পঞ্চায়ত বিভাগটো এটা অতি গুৰুত্বপৰ্ণ বিভাগ । কিন্তু পঞ্চায়তৰ নিৰ্ব্বাচন কিয় পতা হোৱা নাই সেই ক্ষেত্ৰত যথেষ্ট

